মনত ৰাখিব, আপোনালোকক ভঞ্জল পথত পৰিচালনা কৰা আমাৰ উদ্দেশ্য নহয়। আল্লাহ‘ পাকৰ জীৱন্ত, কঃদৰতী কালাম যেন আমাৰ কলবত প্ৰচঃৰ পৰিমাণে স্থান পায় আৰু একমাত্ৰ তেওঁৰেই পাকৰূহৰ পৰিচালনাত চয়তানৰ ছলনাৰ পৰা বাঁচিব পাৰে, এইটোৰেই আমাৰ কামনা। আমি আপোনাৰ বাবে আল্লাহ‘ পাকৰ দৰবাৰত অনবৰত মঃনাজাত কৰি আছোঁ। আমিন।

**আল্লাহ মহব্বত; আৰু যিজন মহব্বতত থাকে, তেওঁ আল্লাহত থাকে, আল্লাহো তেওঁত থাকে।**
**১ ইউহোন্না ৪:১৬।**

**পঞত্ৰই যদি তোমালোকক ঞক্ত কৰে, তেন্তে তোমালোক নিশ্চয়ে ঞক্ত হবা।**
**ইউহোন্না ৮:৩৬।**

**সমাপ্ত**



# ত্ৰিত্ব পাকৰ মাজত আল্লাহ এক

## মূল আৰবী : জাকাৰিয়া ঋতৰাচ

প্ৰকাশক
দ্বাৰ-উল-মছীহ
ডাক বাকচ নং ঃ ২৩৪
গুৱাহাটী - ৭৮১০০১

Assamese Translation of "**God is One in Holy Trinity**". A short Handbook to answer some of the crucial questions raised by the reputed Muslim.The writer of this book Zakaria Butras has thorough Biblical knowledge to response properly. It is translated into Assamese by Mr. Mridul Das and Mrs.Provamoni Das, edited by Khursheed Alam and Published by *Dar-Ul-Masih,* Guwahati-1, Assam. Price Rs.20/ Only.

Manuscript Published By: The Good Way, Switzarland/ Rickon.

প্ৰথম অসমীয়া প্ৰকাশ ঃ জুন/২০০৬

অনুবাদক ঃ শ্ৰীযুত মৃদুল দাস আৰু শ্ৰীমতী প্ৰভামণি দাস।

অসমীয়া সংস্কৰণ ঃ ***দ্বাৰ-উল-মছীহ***
ডাক বাকচ নং ঃ ২৩৪
গুৱাহাটী - ৭৮১০০১
© প্ৰকাশকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত।
**মূল্য** ঃ ২০.০০ টকা মাত্ৰ।

1000 copies.

Printed at: **ComPress**, Ambari, Guwahati-1.

বিঃ দ্ৰঃ কোৰাণ শ্বৰীফৰ অসমীয়া উদ্ধৃতি সমূহ, "*অসমীয়া ইছলামী সাহিত্য প্ৰকাশন সমিতি, হেদায়েৎপুৰ, গুৱাহাটী - ৩*"ৰ পৰা প্ৰকাশিত, **অধ্যাপক ছৈয়দ ছামচুল হুদা, (এম. এ.)** অনুদিত "**কোৰাণ বোধ**"ৰ পৰা লোৱা হৈছে।



৫। মছীহি ঈমানত পিতা শব্দৰ অৰ্থ কি ?
৬। খোদাৰ এজন পঞ্ত্ৰ আছে" এই বক্তব্যৰ অৰ্থ কি ?
৭। মছীহি ঈমানত 'ৰূহুল কঞ্দ্দঞ্চ' বা পাকৰূহ কোন ?
৮। কোৰান আৰু মছীহিয়াতে কোন প্ৰকাৰৰ ত্ৰিত্ব প্ৰত্যাখান কৰে ?
৯। মানঞ্হৰ মনে স্বাভাৱিকভাৱে সকলো বাতেনী ৰহস্য উপলব্ধি কৰিবলৈ যে অক্ষম তাক কেনেকৈ জানিব পাৰিলে ?
**১০**। আল্লাহ' পাকৰ স্বভাৱ বঞ্জিবলৈ কি কি পথ আৰু ত্বৰিকাই আমাক সহায় কৰিব পাৰে ?
১১। কি কাৰণে আল্লাহ' পাকে নিজকে মানঞ্হৰ ওচৰত প্ৰকাশ কৰিলে ?
১২। আল্লাহ' পাকৰ মানৱ ৰূপ ধাৰণ কৰা কি কাৰণে অত্যাৱশ্যক হৈ উঠিছিল ?
১৩। ছেইখ' মনচঞ্ৰৰ ওচৰত কি ভাৱে আল্লাহে নিজক প্ৰকাশ কৰিছিল ?
১৪। কি প্ৰকাৰে এজন ঈমানদাৰ বান্দাই আল্লাহ' পাকৰ ওপৰত ঈমান স্থাপন আৰু আমাৰ মাজত তেওঁৰ কাৰ্য্যৰ নিশ্চয়তা বঞ্জিব পাৰে ?
১৫। ধাৰ্মিক মঞ্ছা আল আচাদ সম্পৰ্কে আপঞ্নি যি অত্যন্ত গুৰুত্বপূৰ্ণ বিষয় চিন্তা কৰে, তাৰ আলোচনা কৰক।
১৬। জিব্ৰানৰ অভিজ্ঞতাৰ চাৰিটা গুৰুত্বপূৰ্ণ সত্য লিপিবদ্ধ কৰক।
১৭। আল্লাহে যে তেওঁৰ ত্ৰিত্বপাকৰ ভিতৰত সকলোবোৰ ধাৰণ কৰি ৰাখিছে, সেই বিষয়ে আপোনাৰ অভিমত লিপিবদ্ধ কৰক।

প্ৰশ্নৰ জবাব দিবলৈ আৰু পৰিস্কাৰকৈ ঠিকনা দিবলৈ নাপাহৰিব।

***Dar-ul-Masih***
**Post Box No: 234**
**Guwahati-781 001, Assam.**

তেওঁ তেওঁৰ বাতেনী ৰহস্য প্ৰকাশ কৰিবলৈ তেওঁৰ নূৰ আপোনাৰ হৃদয়ত প্ৰজ্জ্বলিত কৰক, কিয়নো আল্লাহ' পাকৰ বিষয় আল্লাহ' পাকৰ ৰূহৰ ওচৰতেই বোধগম্য হয়। আপুনি তেওঁৰ ওচৰত মুনাজাত কৰিব নে, প্ৰথমে আপোনাক পৰিবৰ্ত্তিত কৰিবলৈ আৰু ৰহমতৰ ফল আপোনাৰ জীৱনত ধাৰণ কৰিবলৈ আপোনাক যোগ্য কৰি তুলিবলৈ, যেন আপুনি খোদাৰ পুত্ৰ হব পাৰে আৰু এই প্ৰকাৰৰ পবিত্ৰ স্বভাৱৰ সদস্য হব পাৰে? তেতিয়া ৰূহৰ সাহায্য, মনে যি উপলব্ধি কৰিবলৈ অক্ষম, তাক বুজিব পাৰিব। আল্লাহে আপোনাক হেফাজত কৰক আৰু আপোনাৰ লগত থাকক। আমেন?

## -কেইটিমান প্ৰশ্ন-
## *ত্ৰিত্বপাকৰ মাজত আল্লাহ এক*

প্ৰিয় ভাই, মানুহে যি সুন্দৰভাৱে বুজিব পাৰে, একমাত্ৰ তাকেই পৰিষ্কাৰ ভাৱে কব আৰু ব্যক্ত কৰিব পাৰে। এই পুথিখন য? সহকাৰে সম্পূৰ্ণৰূপে পাঠ কৰক। এই কঠিন বিষয় আপোনাৰ জ্ঞানৰ মূল্যায়ন-কল্পে আপোনাৰ চিন্তা সমূহ লিপিবদ্ধ কৰক আৰু তলত দিয়া প্ৰশ্নসমূহৰ ভিতৰত অন্ততঃ ১২টা প্ৰশ্নৰ উত্তৰ দিয়ক। আমি আপোনাৰ উত্তৰৰ অপেক্ষাত আছোঁ, যাতে আপোনাৰ প্ৰাপ্য পুৰস্কাৰ হিচাবে আমাৰ প্ৰয়োজনীয় পুস্তকৰ ভিতৰৰ এখন আপোনাক উপহাৰ দিব পাৰোঁ।

১। আল্লাহ' মাত্ৰ এজন, এই কথা কবলৈ ঈছা কলেমাতুল্লাহৰ উম্মতসকলৰ কিবা অধিকাৰ আছে নে? ব্যাখ্যা কৰক।

২। আল্লাহ' পাকৰ পিতৃত্বৰ অৰ্থত প্ৰজনন নুবুজাই কিয় ৰূহানী পিতৃত্বৰ অৰ্থ প্ৰকাশ কৰিব?

৩। কি ৰূপত কোৰান শ্বৰীফে মছীহি ঈমানত আল্লাহ' পাকৰ ৰূহানী ঐক্যৰ সাক্ষ্য প্ৰদান কৰে?

৪। কোৰানত যি সকলো অংশই বা আয়াতে 'ত্ৰিত্বপাকৰ মাজত আল্লাহ্ এক' এই বিষয়ৰ নিৰ্দেশ প্ৰদান কৰে, তাৰ ব্যাখ্যা দিয়ক।



# প্ৰকাশকৰ একাষাৰ

**'ত্ৰিত্ব পাকৰ মাজত আল্লাহ এক'** কিতাবখন বহু দিন আগতে ইংৰাজীত পঢ়ি বৰ ভাল লাগিছিল। ইয়াৰ প্ৰথম ইংৰাজী সংস্কৰণ ওলাইছিল ১৯৮০ চনত, ছুইজাৰলেণ্ডৰ **'দি গুড্ ৱে'** অনুষ্ঠানৰ পৰা। *দ্বাৰ-উল-মছীহ* 'ৰ জন্ম-লগ্নৰে পৰাই (১৯৯৬ চনৰ) ইয়াৰ অসমীয়া সংস্কৰণৰ কথা চিন্তা কৰা হৈছিল। কিন্তু কিছুমান প্ৰাকৃতিক কাৰণত ইমান দিনে সেয়া সম্ভৱ হোৱা নাছিল। ইয়াৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি প্ৰাৰ্থনাৰে অসমীয়ালৈ প্ৰকাশ কৰা হ'ল। কিতাপ খনৰ বিষয়ে পঢ়ুৱৈ সকলক সাধাৰণ ধাৰণা দিব খুজিছো। আমালৈ বহুতো শ্ৰোতাই প্ৰশ্ন কৰিছেঃ মছীহি সকলে হেনো তিনিজন আল্লাহৰ এবাদত কৰে। কিছুমানে কয়, পৱিত্ৰ কিতাবুল মোকাদ্দছ হেনো মছীহিসকলে পৰিবৰ্ত্তন কৰিছে। আন কিছুমানে কৈছে, বৰ্ত্তমানৰ কিতাবুল মোকাদ্দছ হেনো নকল - আচলটো খোদায় বাতিল কৰি বেহেস্থত সংৰক্ষণ কৰি থৈ দিছে। এনেধৰণৰ আৰু বিভিন্ন মনে সজা কাহিনী কৈ তেওঁলোক পাক কালাম কিতাবুল মোকাদ্দছ পঢ়াৰ পৰা আতৰি থাকে। এই সৰু হাদিছৰ কিতাপত এই ধৰণৰ কিছুমান প্ৰশ্নৰ উত্তৰৰ লগতে সকলোকে এই পাক-কিতাপ সমূহৰ কাষ চাপিবলৈ আহ্বান কৰা হৈছে।

পঢ়ুৱৈ সমাজৰ জ্ঞাতাৰ্থে জনাওঁ যে, এই কিতাপ খনি ইংৰাজী **"GOD IS ONE IN HOLY TRINITY"**ৰ প্ৰথম অসমীয়া সংস্কৰণ। কিতাপখনত এনে কিছুমান উৎস বা ঐতিহাসিক ঘটনাৰ উল্লেখ আছে যিবোৰৰ লগত পঢ়ুৱৈ সমাজে সুপৰিচিত নহবও পাৰে। মূল আৰবী কিতাপ খনিৰ লিখক শ্ৰীযুত জাকাৰিয়া বুতৰাচ, আৰবত এটি মুছলীম পৰিয়ালত জন্ম হোৱা ও পৰৱৰ্ত্তী জীৱনত মছীহি বিশ্বাসত অহা এজন বিজ্ঞ আলেম। তেওঁৰ অক্লান্ত পৰিশ্ৰম আৰু অধ্যয়ণৰ ফলশ্ৰুতি এয়া।

অসমীয়ালৈ অনুবাদ কৰি দিয়া বাবে শ্ৰীযুত মৃদুল দাস আৰু শ্ৰীযুক্তা প্ৰভামণি দাসলৈ আন্তৰিক কৃতজ্ঞতা জনাইছো। কিতাপখনে পঢ়ুৱৈ সমাজক মছীহি ত্ৰিত্বৰ বিষয়ে উপকৃত কৰিব পাৰিলে আমাৰ পৰিশ্ৰম সাৰ্থক হোৱা বুলি ভাৱিম। মহান খোদাৰ মহব্বত, হজৰত ঈছা মছীহৰ অনুগ্ৰহ ও পাক ৰুহুৰ সহভাগিতা আপোনালোক সকলোৰে লগত থাকক। খোদা হাফিজ।

*প্ৰকাশক ঃ সম্পাদক, দ্বাৰ-উল-মছীহ, গুৱাহাটী, ০৬/০৫/২০০৭*

# সূচীপত্র

## -প্ৰথম অধ্যায়-
### ত্ৰিত্ব পাকৰ মাজত আল্লাহ‘ পাকৰ সংগ্ৰীহিত ঐক্য


১। মছীহিয়াতত আল্লাহ‘ পাকৰ একতা ৯
২। মছীহিয়াতত পবিত্ৰ ত্ৰিত্ব ১০
৩। অদ্বিতীয়তাত ত্ৰিত্বৰ আৱশ্যকতা ১১


## -দ্বিতীয় অধ্যায়-
### ত্ৰিত্বপাকৰ ঐক্য সপক্ষে কোৰান শ্বৰীফৰ সাক্ষ্য


১। মছীহিয়াতত এক আল্লাহৰ ওপৰত বিশ্বাসৰ সপক্ষে কোৰান শ্বৰীফৰ সাক্ষ্য ১২
২। মছীহিয়াতত পবিত্ৰ ত্ৰিত্বৰ বিষয়ে কোৰানৰ সাক্ষ্য ১৪
৩। ঈছা মছীহযে আল্লাহৰ কালাম (কালেমাতুল্লাহ) সেই বিষয়ে কোৰানৰ সাক্ষ্য ১৫
৪। পাকৰূহৰ সপক্ষে কোৰানৰ সাক্ষ্য ১৬


## -তৃতীয় অধ্যায়-
### ত্ৰিত্বপাকৰ নাম সমূহ


১। পিতা ১৮
২। পুত্ৰ (ক) চলিত ভাষাত পুত্ৰৰ ব্যৱহাৰ ২০




ঋবকজনৰ চেহাৰা উজ্জ্বল হৈ উঠিল, তেওঁ কলে, “মই বিশ্বাস কৰোঁ” আৰু দুয়ো মুনাজাত কৰিলে। ঘটনা-পৰম্পৰা আৰু অভিজ্ঞতাসমূহ বদমেজাজী জিব্ৰানৰ জীৱনত স্পৰ্শিত ?হ তেওঁক নম্ৰ হৃদয় সম্পন্ন আৰু প্ৰভুৰ দ্ৰাক্ষাক্ষেত্ৰত আশীৰ্বাদপ্ৰাপ্ত খাদেমত পৰিণত কৰিলে। তেওঁ আৰু অনেকৰ ঈমানদাৰৰ ৰূহৰ বাবে ৰহমতৰ কাৰণ হৈ উঠিল।

এয়ে হৈছে ৰহমতৰ কুদৰতী (অলৌকিক) ফল আৰু আমাৰ পবিত্ৰ ঈমানৰ সত্য প্ৰমাণ।

প্ৰিয় পাঠক, মই কামনা কৰোঁ আল্লাহে আপোনাৰ ভিতৰত কাম কৰিব, যেন আপুনি আল্লাহ‘ পাকৰ ৰূহানী পুত্ৰ হব পাৰে আৰু প্ৰভুৰ এজন বিশ্বস্ত সাক্ষী হব পাৰে, যি প্ৰভুৱে তেওঁৰ তেজ (জীৱন) দি আমাক মহব্বত ও নাজাত কৰিছে।

## বস্তু সংক্ষেপ

প্ৰিয় ভাই, আপুনি আমাৰ মছীহি উন্মতসকলৰ ত্ৰিত্বপাকৰ অৰ্থ উপলব্ধি কৰিব পাৰিছে। হয়তো আপুনি নিশ্চিত হব পাৰিছে যে, আমি তিনিজন আল্লাহৰ এবাদত নকৰোঁ। আমি কেৱল এক আল্লাহৰ ওপৰত ঈমান ৰাখোঁ, যিজনে নিজৰ ভিতৰত নিজেই অৱস্থান কৰে; তেওঁৰ কালামৰ দ্বাৰা কথা কয় আৰু তেওঁৰ ৰূহৰ ভিতৰত বাঁচি থাকে। তেওঁৰ কালাম ৰহমত প্ৰাপ্ত মৰিয়মৰ গৰ্ভত বাস কৰিছিল আৰু তেওঁৰ ভিতৰৰ পৰা মানবিক দেহৰ ৰূপ লৈছিল, যিজন প্ৰভু মছীহ, যিজনে আমাৰ পৃথিৱীত বাস কৰিছিল আৰু আমাৰ নাজাতৰ পূৰ্ণতা প্ৰদান কৰে।

আমাৰ দ্বিতীয় পুস্তক, “খোদাৰ ৰূহানী পুত্ৰ মছীহ”ৰ ভিতৰত জীৱন্ত মছীহৰ প্ৰতি আমাৰ ঈমানৰ বিষয়ে আৰু ৰূহৰ মানৱ দেহ গ্ৰহণৰ বিষয়ে বিস্তাৰিত আলোচনা কৰিম। দ্বিতীয় পুস্তকখন প্ৰথম পুস্তকখনৰ সদৃশ্য।

মোৰ প্ৰিয় ভাই, মই আল্লাহ‘ পাকৰ ওচৰত মুনাজাত কৰোঁ।

শিকিছিল যে, নাছাৰাসকলৰ (ঈছা কলেমাতঃল্লাহৰ উন্মতসকল) ইঞ্জিল শ্বৰীফ যিজনে স্পৰ্শ কৰে তেওঁৰ হাত অবশ বা পক্ষাঘাতগ্ৰস্থ হৈ যাব। কিন্তু যি দৃশ্য জিব্ৰানে দেখিবলৈ পালে, সেয়ে তেওঁক আকৃষ্ট কৰিলে এই ধ্যানৰ ৰহস্য জানিবলৈ, যিয়ে এজন মানঃহক জঙ্ঘলত প্ৰবেশ কৰিবলৈ এবাদতত বাধ্য কৰিব পাৰে। তেওঁ ইঞ্জিল শ্বৰীফ হাতৰ আঙঃলিৰ মূৰেৰে এই ভাবি স্পৰ্শ কৰিলে যে, যদি পক্ষাঘাত অনঃভৱ কৰে, তেন্তে যেন ইয়াক দূৰলৈ নিক্ষেপ কৰি বিপদমঃক্ত হব পাৰে। কিন্তু তেওঁক যি কোৱা হৈছিল তাৰ একোৱেই তেওঁ উপলব্ধ নহল। তেওঁ ইঞ্জিল শ্বৰীফ ললে আৰু পঢ়িবৰ বাবে মিখায়েলৰ অনঃমতি বিচাৰিলে। জিব্ৰানে অকলে গোটেই ৰাতি 'ইঞ্জিল' পঢ়িলে কিন্তু একোৱেই বঃজিব নোৱাৰিলে।

পঃৰা তেওঁ মিখায়েলৰ ওচৰলৈ গল আৰু তেওঁক জগাই যি বঃজিব পৰা নাছিল সেই বিষয়ে প্ৰশ্ন কৰিলে। মিখায়েলে বঃজাবলৈ আৰম্ভ কৰিলে কিন্তু জিব্ৰানে তেতিয়াও বঃজিব নোৱাৰিলে, গতিকে মিখায়েলে কিতাপ বন্ধ কৰি কলে, "মই আপোনাক সংক্ষেপে ইঞ্জিলৰ সাৰবস্তু কম :-

**প্ৰথম সত্য হৈছে** – মানঃহ পাপী, আপঃনি আৰু ময়ো পাপী।

**দ্বিতীয় সত্য হৈছে** – আমাৰ পাপৰ শাস্তি দোজখত অনন্তকলীয়া আজাব।

**তৃতীয় সত্য হৈছে** – খোদাৰ মহব্বতৰ বাবেই তেওঁ আমাক পাপৰ আজাবৰ পৰা ৰক্ষা কৰিবৰ বাবে মছীহক (কলেমাতঃল্লাহক) প্ৰেৰণ কৰিছিল, গতিকে তেওঁ আমাৰ সলনি সলীবত মৃত্যঃবৰণ কৰিছিল।

**চতঃৰ্থ সত্য হৈছে** – "আপঃনি যদি এই সত্য বিশ্বাস কৰে আৰু আপোনাৰ পাপৰ তওবা (অনঃতাপ) কৰে, তেন্তে প্ৰভঃৱে আপোনাক গ্ৰহণ কৰিব আৰু দোজখৰ অনন্তকলীয়া আজাবৰ পৰা ৰক্ষা কৰিব"।

এই বাক্যবোৰ সৰল কিন্তু ৰহমতেৰে পূৰ্ণ আৰু অভিজ্ঞতাৰ মাধ্যমেৰে বৰ্ণিত। ঠিক সেই সময়ৰ পৰা খোদাৰ হাতে জিব্ৰানৰ কলবত কাৰ্য্য কৰিলে আৰু আঁচৰিত ফল দেখা গল।




(খ) পঃত্ৰ শব্দটি কোৰান শ্বৰীফত ব্যবহৃত হৈছে ২১
(গ) মঃছলিম ঐতিহ্যত পঃত্ৰ শব্দ ২১
৩। ৰূহুল কঃদ্দঃছ (পাকৰূহ বা পবিত্ৰ আত্মা) ২২


## *-চতঃৰ্থ অধ্যায় -*

## ভ্ৰান্ত ত্ৰিত্ববাদ


১। মৰিয়মীয় সম্প্ৰদায়ৰ অবলম্বিত ত্ৰিত্ববাদ ২৪
২। এই ভ্ৰান্ত ত্ৰিত্ববাদৰ প্ৰতি মছীহি মনোভাব ২৪
৩। ইছলামৰ মনোভাব ২৫


## *-পঞ্চম অধ্যায় -*

## আল্লাহৰ ৰহমতৰ নূৰ


১। ৰূহৰ প্ৰমাণ ২৭
২। অজ্ঞতাৰ মাজত খেপিয়াই ফঃৰা ২৮
(ক) দৰ্শন শাস্ত্ৰ ২৯
(খ) মছীহিয়াত ৩০
(গ) ইছলাম ৩০
৩। নাজিলৰ কৰুণা ৩১
৪। অভিভূতকাৰী সহানঃভূতি ৩৪
৫। ঈমানৰ নূৰ (পোহৰ) ৩৬
৬। শ্ৰেষ্ঠতম প্ৰমাণ ৪০
(ক) হজৰত মঃছা আল আছাদৰ অভিজ্ঞতা ৪১
(খ) খলিল জিব্ৰানৰ অভিজ্ঞতা ৪২
৭। বস্তু সংক্ষেপ ৪৫
৮। কেইটিমান প্ৰশ্ন ৪৬

## Al-Habib

**Al -Habib -** কি জানেনে ?

ই এখন সৰু প্ৰচাৰ পুস্তিকা যাৰ অৰ্থ “**মহান বন্ধু**”। এই পুস্তিকাখনিয়ে আপোনাৰ সংগী বা বন্ধু হোৱাৰ কামনা কৰে। “মহান বন্ধু” বা “প্ৰকৃত বন্ধু” কোন এই বিষয়ে পুস্তিকাখনিত প্ৰতি তিনি মাহত বিভিন্ন লিখনি প্ৰকাশ পায়। ই সঁচাকৈয়ে আপোনাৰ প্ৰকৃত বন্ধু নহবনে ? নিশ্চয় হব। কেনেকৈ ?

ক) আপুনি *Dar-Ul-Masih*’ৰ **Friendship Club** লৈ ৫০/ টকা মূল্যৰ যিকোনো নতুন ডাক টিকট পঠাই দিয়ক।

খ) ইয়াত প্ৰকাশ হবৰ বাবে আপোনাৰ সম্পূৰ্ণ নাম, ঠিকনা, বয়স, শিক্ষা আদি উল্লেখ কৰিব। আপোনাৰ প্ৰকৃত বন্ধু কোন -- এই বিষয়ে আপোনাৰ উত্তৰ বা ধাৰণা -- কবিতা আকাৰত লিখি পঠাওক। বিবেচিত হ’লে আমি নিশ্চয় প্ৰকাশ কৰিম।

গ) ইয়াত প্ৰকাশ হোৱা বিষয় বস্তুৰ ওপৰত মতামত দিব পাৰে। নাম, ঠিকনা থকা বিভিন্ন বন্ধু / বান্ধৱীৰ সৈতে চিঠিৰে সম্পৰ্ক স্থাপন কৰিব পাৰে।

ঘ) এই পুস্তিকাখনিৰ পৰাই আপোনাৰ জীৱনৰ প্ৰকৃত বন্ধু ৰূপে হজৰত ঈছা মছীহক আৱিস্কাৰ কৰিব পাৰে। সেয়েহে **Al-Habib** সঁচাকৈয়ে আপোনাৰ প্ৰকৃত বন্ধু। ইয়াক পাবলৈ আজিয়েই আমাৰ লগত যোগাযোগ কৰক।

**Friendship Club,**
**Post Box No. 234**
**Guwahati - 781001**



মনোভাৱেৰে। ইয়াৰ বাবে স্কুলৰ পৰিচালকবৰ্গৰ দ্বাৰা এটি আদেশ জাৰি কৰালে। তেওঁ মিখায়েলক বিচাৰিবলৈ গৈ দেখা পালে, সি স্কুলৰ দেৱাল জাপ মাৰি পাৰ হৈ স্কুলৰ ওচৰৰ এখন জঙ্ঘলত সোমাই পৰিছে। তেওঁ ধৰি ললে যে মিখায়েলে তাৰ কৰ্ত্তব্য অৱহেলা কৰিবলৈ চেষ্টা কৰিছে। গতিকে তেওঁ মিখায়েলক অনুসৰণ কৰিলে আৰু দেখিবলৈ পালে যে, গছৰ শিপাৰ দ্বাৰাই সজা এটি জুপুৰি ঘৰত প্ৰবেশ কৰিছে।

জিব্ৰানে এই জুপুৰি ঘৰৰ ৰহস্য আবিষ্কাৰ কৰিবলৈ কৌশলেৰে এজোপা গছৰ আঁৰত লুকাই থাকিল। চাওক! তেওঁ দেখিলে মিখায়েলে এডাল মমবাতি জ্বলালে, তাৰপাছত আঠু কাঢ়ি কিবা কোৱা শুনিলে। তাৰ পাছত তেওঁ দেখা পালে এখন সৰু পুস্তক পকেটৰ পৰা ওলিয়াই পঢ়িবলৈ আৰম্ভ কৰিলে। জিব্ৰানে দেখিবলৈ পালে পাঠ কৰাৰ শেষত তেওঁ ওপৰৰ ফালে মুখখন তুলিলে আৰু অশ্ৰুৰ টোপাল বাগৰি পৰিব ধৰিলে আৰু কান্দোনত তেওঁৰ কণ্ঠস্বৰ ৰুদ্ধ হৈ আহিল। সেয়া শেষ কৰি তেওঁ মমবাতি নুমাই দিলে আৰু স্কুললৈ ঘূৰি আহিল। জিব্ৰানে তেওঁক দূৰৰ পৰা অনুসৰণ কৰিলে।

মিখায়েলে যেতিয়া স্কুলত প্ৰৱেশ কৰিলে জিব্ৰানে তেওঁৰ কান্ধত ধৰি কৈফিয়ত তলব কৰিলে, “ তুমি ক’ত আছিলা ? ”

তেওঁৰ উত্তৰ আছিল, “মই মোৰ আল্লাহ্ পাকৰ এবাদত কৰি আছিলোঁ।” জিব্ৰানে তেওঁক কলে, “তুমি এজন মিছলীয়া। যি মুহূৰ্ত্ততে তুমি দেৱাল পাৰ হৈ জুপুৰি ঘৰৰ ভিতৰত প্ৰবেশ কৰিছা আৰু গান গাবলৈ আৰু এখন সৰু কিতাপ পঢ়িবলৈ আৰু কান্দিবলৈ আৰম্ভ কৰিছা, সেই মুহূৰ্ত্তৰ পৰাই মই তোমাক চাই আছোঁ। এই সকলো পগলাৰ চিন”। মিখায়েলে দ্ৰুত জবাব দিলে, “মই পগলা নহওঁ আৰু মই একো গোৱা নাছিলোঁ কিন্তু মই প্ৰভুৰ হামদ (স্তুতিৰ গোজাৰী) কৰিছিলোঁ, যিখন মই পাঠ কৰিছিলোঁ সেইখন ‘ইঞ্জিল শ্বৰীফ’। তাৰপাছত মোৰ আল্লাহ্ পাকৰ ওচৰত মোৰ পাপৰ ক্ষমাৰ বাবে আৰু মোৰ জীৱন ৰক্ষাৰ বাবে মুনাজাত কৰিছিলোঁ”। জিব্ৰানে প্ৰশ্ন কৰিলে, “মই ইঞ্জিল চাব পাৰো নে ? ” তেওঁ তেওঁক ইঞ্জিল দিলে, কিন্তু জিব্ৰানে তেওঁৰ পিতৃৰ পৰা

তাক মোক জানিবলৈ দিয়া'। গতিকে মই আপোনাৰ ওচৰলৈ আহিছোঁ যেন আপঃনি মোক খোদাৰ বিষয়ে জনাব পাৰে আৰু মোৰ দঃঃস্কৰ্মৰ বাবে তেওঁৰ গজব মোৰ ওপৰত যাতে বৰ্ষিত নহয়, তাৰ বাবে খোদাৰ ওচৰত দোৱা কৰে"।

বৃদ্ধ ঈমানদাৰ আবেদে আল্লাহ পাকৰ কালাম তেওঁৰ ওচৰত প্ৰচাৰ (বয়ান) কৰিবলৈ আৰম্ভ কৰিলে আৰু তেওঁৰ লগত বিচাৰৰ দিনৰ কথা, নাজাতৰ কথা আৰু পাপীৰ প্ৰতি আল্লাহ' পাকৰ মহব্বতৰ কথা কলে। ৰহমতৰ কাৰ্য্য তেওঁৰ কলবত পৰিপূৰ্ণতা লাভ কৰিলে। প্ৰভঃৰে তেওঁৰ হৃদয়ত পোহৰ প্ৰদান কৰিলে আৰু অনঃতাপৰ (তওবাৰ) অশ্ৰঃবিন্দঃ তেওঁৰ চকঃৰ পৰা প্ৰবাহিত হবলৈ ধৰিলে। তেওঁৰ মঃখমণ্ডল ঈমানৰ পোহৰত উজ্জ্বল হৈ উঠিল। বৰ্বৰ মঃছা এজন ধাৰ্মিক হৈ উঠিল, যিজন শ্ৰেষ্ঠ ঈমানদাৰসকলৰ এজন।

কোনে এই কঃকঃৰনেচীয়া বাঘক ভেড়াত পৰিণত কৰিলে? এয়া নিশ্চয় ৰহমতৰ বিস্ময়কৰ (কাৰ্য্যৰ) ফল। কোনে তেওঁক ঈমান বঃজিবৰ ক্ষমতা দিলে? খোদাই তেওঁৰ জীৱনক গভীৰভাৱে অভিভূত কৰিছে। তেওঁৰ চূড়ান্ত হাতৰ স্পৰ্শত তেওঁক সম্পূৰ্ণৰূপে পৰিবৰ্ত্তন কৰি দিছে।

## *জিব্ৰানৰ অভিজ্ঞতা*

জিব্ৰান এটি গোঁড়া পৰিয়ালত ডাঙৰ হয় আৰু তেওঁৰ পিতৃ তেওঁক ধৰ্মৰ মৌলিক বিষয়ত শিক্ষা দিয়াৰ দায়িত্বত নিযঃক্ত আছিল।

পিতৃৰ মৃত্যুৰ লগে লগেই এই যঃবকজনে তেওঁৰ শিক্ষা-সংস্কৃতি দূৰত নিক্ষেপ কৰি পাপ কাৰ্য্যত ডঃবি গল। এই সমস্যা দূৰ কৰিবৰ বাবে তেওঁৰ পৰিয়ালে তেওঁক এটি বোৰ্ডিং স্কঃলত দিয়ে। সেই স্কঃলত মিখায়েল নামৰ এজন ছাত্ৰই জিব্ৰানৰ জ্বালাতন ভোগ কৰিছিল। যেতিয়া স্কঃলৰ উৎসৱ উদ'যাপনৰ দিন উপস্থিত হৈছিল, জিব্ৰানে মিখায়েলক সঁচাই বিৰক্ত কৰিবলৈ চেষ্টা কৰিছিল, তাৰ দ্বাৰাই সকলো চকী স্থানান্তৰিত কৰোৱাৰ



# *পাতনি*

কঠিন বিষয় সমূহ সহজবোধ্য আৰু সাধাৰণ শ্ৰেণীভঃক্ত কৰি শিশুবিলাকৰ ওচৰত দিয়া হয়। যেতিয়া এই শিশু বয়সত পৰিণত হয়, তেওঁ তেতিয়া সংক্ষিপ্ত আৰু সহজ-সৰল বিষয়ত সন্তুষ্ট নাথাকে। তেওঁ চেষ্টা কৰে উক্ত বিষয়ৰ পঃঙ্খানঃপঃঙ্খ ও সবিশেষ বৰ্ণনা আৰু বিশুদ্ধতা বিচাৰি ওলিয়াবলৈ। যিহেতঃ তেওঁৰ জ্ঞান-ৰঃদ্ধি তেওঁ সম্পূৰ্ণৰূপে ধাৰণ কৰিবলৈ প্ৰস্তুত আৰু আগ্ৰহী হৈ উঠে।

মানৱ জাতিৰ ক্ষেত্ৰতো এই একেই উদাহৰণ প্ৰজোয্য। যেতিয়া মনঃষ্য জাতি তাৰ শৈশবাৱস্থাত আছিল আৰু যিমানখিনি তেওঁলোকে ধাৰণ কৰিব পাৰিছিল আল্লাহ পাকে তেওঁৰ নিজৰ চেহাৰাত (প্ৰতিৰূপৰ বৰ্ণনা) সহজ আৰু সাধাৰণ আকাৰত, তেওঁলোকৰ ওচৰত সিমানখিনি প্ৰদান কৰিছিল। সেইবাবেই ৰছুল পৌলে কৈছে, "হে ভাইসকল, আত্মিক লোকক কোৱাৰ দৰে মই তোমালোকক কব নোৱাৰি, মাংসিক লোকক কোৱাৰ দৰে, মছীহৰ সম্বন্ধীয় শিশুবোৰক কোৱাৰ দৰেহে কব পাৰিলোঁ। মই তোমালোকক টান আহাৰ নঃখঃৱাই, গাখীৰ খঃৱাইছিলোঁ; কিয়নো তেতিয়া নোৱাৰিছিলা" (১ কৰিন্থীয়া ৩:১-২)।

যেতিয়া সময়ৰ পূৰ্ণতা হল আৰু ঈমানদাৰসকলৰ মানসিক শক্তি বৃদ্ধি পালে, তেতিয়া আল্লাহপাকে ঘোষণা কৰিলে যে, তেওঁ তেওঁৰ ত্ৰিতৃৰ মাজত এক। তেওঁ আমাৰ বাবে এই ডাঙৰ ৰহস্যটো প্ৰকাশ কৰিলে যি মানৱ জাতিৰ আধ্যাত্মিক জ্ঞানৰ অপৰিপক্কতাপূৰ্ণ অৱস্থাত তেওঁলোকৰ পৰা লঃকোৱা আছিল। যেতিয়া প্ৰভঃৰে পাক-ৰূহৰ দান আমাক দিলে, তেওঁ তেওঁৰ নিজৰ জীৱন আৰু তেওঁৰ বেহেস্তী প্ৰতিষ্ঠা ব্যক্ত কৰিলে।

যিদৰে ৰছুল পৌলে কৈছে, "কিন্তু খোদাই ৰূহৰ দ্বাৰাই তাক আমাৰ আগত প্ৰকাশ কৰিলে; কাৰণ পাক-ৰূহে সকলোকে, এনে কি, খোদাৰ গভীৰ কথাকো অনঃসন্ধান কৰে" (ইঞ্জিল ৭ম খণ্ড ১ কৰিন্থীয়া ২:১০)।

এই মতবাদটো আজিও জাগতিক লোকৰ ওচৰত

অজানা ৰহস্য। সত্য ঘটনা আৰু আল্লাহ‘পাকৰ বাতেনী বিষয়ৰ ওপৰত তেওঁলোকৰ জ্ঞানৰ স্বল্পতাৰ বাবে তেওঁলোকে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰি আহিছে। যি হৃদয়ঙ্গম কৰা অসম্ভৱ আৰু ধাৰণা কৰা কঠিন আছিল, তাক সহজবোধ্য ও ব্যাখ্যা কৰাৰ উদ্দেশ্যে আল্লাহ‘পাকৰ অসীম কৰুণাত মই এই পঃথিখন লিখিছোঁ। পঃথিখন লিখাৰ উদ্দেশ্য এই যে, যি কোনোৱে ইয়াক পাঠ কৰে তেওঁ যেন এই বেহেস্তী ৰহস্যত বিশ্বাস স্থাপন কৰিব পাৰে আৰু জানিব পাৰে যে, এই ঈমানে চিন্তাশক্তিৰ বিৰোধীতা নকৰে বৰং তাক পূৰ্ণ কৰে, আৰু জ্ঞানৰ স্বল্পতাৰ কাৰণে যিসকলে এই বিশ্বাসৰ প্ৰতিৰোধ কৰে, তেওঁলোকৰ পঃস্তকেও যেন এই ধৰ্মমতৰ স্বপক্ষে সাক্ষ্য দেখিবলৈ পায়।

যি ভাৱে মই আমাৰ সৰ্বাপেক্ষ পবিত্ৰ বিশ্বাসৰ ব্যাখ্যাস্বৰূপ আপোনাক এই পঃস্তকখনৰ প্ৰস্তাৱ দিওঁ, মই মোৰ হৃদয়ক অধিক লোকৰ বাবে ৰহমতৰ উৎস হিচাবে তঃলি ধৰাৰ মানসেৰে আল্লাহৰ দৰবাৰত উপস্থাপনা কৰোঁ আৰু মঃনাজাত কৰো যে, এয়ে যেন সত্য বিশ্বাসৰ দৰজা স্বৰূপে তেওঁলোকৰ ওচৰত উন্মঃক্ত হৈ উঠে। তেতিয়া তেওঁলোকে পিতা আল্লাহৰ মহব্বত উপভোগ কৰিব পাৰে আৰু একমাত্ৰ কলেমাতঃল্লাহৰ (ৰূহানী পঃত্ৰৰ) আশীৰ্বাদ, পাকৰূহৰ সহভাগিতা আৰু দান লাভ কৰিব পাৰে– একমাত্ৰ আল্লাহ‘, যিজন অনন্তকলীয়া গৌৰৱৰ অধিকাৰী, তেওঁৰেই পবিত্ৰ ত্ৰিত্ব। আমিন।

প্ৰধান ইমাম জাকাৰিয়া ৰুতৰাচ,
মিচৰ আল জাদিদা

***পঃত্ৰই যদি তোমালোকক মঃক্ত কৰে, তেন্তে তোমালোক নিশ্চয়ে মঃক্ত হবা।***
***ইউহোন্না ৮:৩৬।***



সেইজনেই প্ৰকৃত ঈমানদাৰ যিজনৰ জীৱন প্ৰভঃৰে সম্পূৰ্ণৰূপে পৰিবৰ্ত্তন কৰি দিছে আৰু যিজনৰ জীৱনত প্ৰভঃক দেখা যায় আৰু প্ৰভঃৰ দ্বাৰা পৰিহিত হৈছে। সেয়ে তেওঁক কামাসক্তৰ পৰা, পাপৰ দাসত্বৰ পৰা পৰিবৰ্ত্তন কৰি ৰূহানী সত্যপ্ৰিয় মানঃহলৈ ৰূপান্তৰিত কৰি দিছে। ঈমানদাৰ বান্দাই এতিয়া দেখিবলৈ পায় যে, প্ৰভঃৰে তেওঁৰ কলবত বহি পাপৰ পঙ্কিলতাৰ পৰা তেওঁক পৰিস্কাৰ কৰি পেলাইছে, যেনেকৈ "নিৰ্ম্মল চিত্তৰ মানঃহবিলাক ধন্য; কিয়নো তেওঁবিলাকে আল্লাহ্ৰ দৰ্শন পাব।"

## ***হজৰত মঃছা আল‘ আছাদৰ অভিজ্ঞতা***

হজৰত মঃছা আল‘ আছাদ এজন বৰ্বৰ খঃনী আৰু পৌত্তলিক ডকাইত দলৰ চৰ্দাৰ আছিল। আল্লাহ‘ পাকৰ ৰহমতে তেওঁৰ কলবত নূৰ দিবলৈ আৰম্ভ কৰিছিল। গতিকে তেওঁ এজন বৃদ্ধ ঈমানদাৰ আৰু জ্ঞানী ব্যক্তিৰ কাষলৈ গৈ এই কথা কলে, "মই শুনিছোঁ যে আপঃনি আল্লাহ‘ পাকৰ এজন ধাৰ্মিক এবাদতকাৰী ব্যক্তি। এই কাৰণেই মই পলাই আপোনাৰ ওচৰলৈ আহিছোঁ যেন, যি আল্লাহে আপোনাক নাজাত কৰিছে তেওঁ যেন মোকো নাজাত কৰে। আল্লাহ‘ পাকৰ সম্বন্ধে মোক কওক আৰু তেওঁৰ সন্ধান দিয়ক"। বৃদ্ধ ঈমানদাৰ জনে তেওঁক সঃধিলে, "তোমাৰ দেৱতা কি আছিল ? " তেওঁ উত্তৰ দিলে, "সূৰ্য্যৰ বাহিৰে মই কোনো দেৱতাক চিনি নাপাওঁ, কাৰণ যেতিয়া মই সূৰ্য্যৰ ফালে চাওঁ, মই দেখিবলৈ পাওঁ তাৰ পোহৰৰ দ্বাৰাই বিশ্বক আলোকময় কৰি তঃলে। একেদৰে চন্দ্ৰ আৰু তৰা যাৰ আঁচৰিত ৰহস্য আছে, সমঃদ্ৰ আৰু আকাশৰো ক্ষমতা, কিন্তু ইয়াৰ কোনোটোৱেই মোৰ আত্মাক সান্ত্বনা দিব পৰা নাই আৰু মই জানিছোঁ যে, এইবোৰৰ বাহিৰে এইবোৰতকৈও বৃহত্তম এজন খোদা আছে, যাক মই নাজানোঁ। মই কলোঁ, ‘হে প্ৰভঃ! যিজনে বেহেস্তত বাস কৰে, সমস্ত সৃষ্টিৰ পৰিচালক, এতিয়া তোমাৰ ওচৰলৈ মোক আকৰ্ষণ কৰা আৰু যিহে তোমাক সন্তুষ্ট কৰে

তেওঁক ধৰ্মৰ পথলৈ ঘূৰাই আনিব পাৰে। বিভিন্ন সময়ত তেওঁক ভীতি প্ৰদৰ্শনৰ বাবে দুষ্ট লোককো ব্যৱহাৰ কৰিছিলোঁ।

কিন্তু মই এই কথা বুজিব পাৰিছোঁ যে, মছীহৰ মহব্বতত সকলো প্ৰকাৰৰ অত্যাচাৰ সহনীয় বুলি জানিয়েই তেওঁ তেওঁৰ ওপৰত স্থিত উচ্চ পাহাৰৰ দৰে দৃঢ়ভাৱে থিয় হৈ আছে।

ইয়াৰ ৰহস্য মই সম্পূৰ্ণৰূপে মনে মনে চিন্তা কৰিছিলোঁ। মই স্পষ্টভাৱে জানিব পাৰিছোঁ যে, তেওঁৰ কোনো জাগতিক উদ্দেশ্য নাছিল। মছীহিয়াতৰ প্ৰতি তেওঁৰ আনুগত্যৰ বিষয় মোৰ ওচৰত পৰিস্কাৰ হৈছিল, গতিকে তেওঁৰ পৰা এখন ইঞ্জিল শ্বৰীফ খুজিবলৈ নিজকে প্ৰবৰ্তিত বোধ কৰিলোঁ, গতিকে তেওঁ সেই আনন্দত মোৰ লগত দেখা কৰিলে। আমি আল্লাহ'ক ধন্যবাদ দিওঁ, কাৰণ তেওঁ অনেক পাপীক নাজাতকাৰীৰ গৌৰৱৰ (মহিমাৰ) ফালে পৰিচালিত হবলৈ দৃষ্টান্ত হৈছিল, তেওঁলোকৰ মাজত ময়েই প্ৰথম।

## শ্ৰেষ্ঠতম প্ৰমাণ

যেতিয়া কোনো মানুহে ৰহমতৰ প্ৰবাহত ঈমানৰ আৱৰ্তত আকৃষ্ট হয়, তেতিয়া আৰু তেওঁৰ ঈমানৰ সত্যতা নিশ্চিত ভাৱে প্ৰমাণ কৰিবলৈ কোনো সাক্ষ্য বা যুক্তিতৰ্কৰ দৃষ্টান্তৰ প্ৰয়োজন নপৰে, বৰং ইয়াৰ সাক্ষ্য তেওঁৰ হৃদয়ৰ ভিতৰত থাকে, যিহেতু তেওঁ অনুভৱ কৰে যে আল্লাহ' তেওঁৰ কলবত বাস কৰে আৰু তেৱেঁই তেওঁক পৰিৱৰ্ত্তন কৰি দিছে। তেতিয়া আৰু তেওঁ আল্লাহ'পাকৰ সন্ধান তেওঁৰ নিজৰ বাহিৰত নকৰে। প্ৰসিদ্ধ দাৰ্শনিক আগাষ্টিনে ঈমান স্থাপনৰ ওপৰত কৈছে, "চোৱা, মই তোমাক পাইছোঁ আৰু মনৰ ভিতৰত গ্ৰহণ কৰিছোঁ। অহ'! কিমান প্ৰসন্ন মোৰ নচীব আৰু মই কিমান ভাগ্যৱান! মই তোমাক বাহিৰৰ বস্তুৰ মাজত বিচাৰিছিলোঁ! কিন্তু সেই সন্ধান নিস্ফল আছিল, কাৰণ মই তোমাক মোৰ ৰূহৰ ভিতৰত মোৰ কলবৰ মাজত পাইছোঁ আৰু মই তোমাক জোৰেৰে আকোৱালি লৈছো আৰু চাইছোঁ"।



## -প্ৰথম অধ্যায়-
## মছীহিয়াতত আল্লাহ' পাকৰ একতা

আমি মছীহী উন্মতসকলে এক আল্লাহৰ ওপৰত ঈমান ৰাখোঁ, তেওঁৰ কোনো অংশীদাৰ নাই। তেওঁ অসীম, আচ'মান-জমীন জুৰি ব্যাপ্ত। তেওঁ নিত্য আৰু অনন্তকাল স্থায়ী, সকলো বস্তুৰ সৃষ্টিকৰ্ত্তা। তেওঁৰ বাদচাহী সীমাহীন।
ইঞ্জিল শ্বৰীফত এই ধৰ্মমত অত্যন্ত সুস্পষ্ট –

## মছীহী ঈমানৰ নীতি তলত দিয়া ধৰণৰ

১। যেতিয়া এজন ইহুদী ব্যক্তিয়ে শ্বৰিয়তৰ আটাইতকৈ ডাঙৰ হুকুম সম্বন্ধে জানিব বিচাৰিলে, তেতিয়া ছাইয়েদেনা ঈছা মছীহে নিজেই এই ঈমানৰ বিষয়ে শিক্ষা দিছিল। তেওঁ তেওঁক উত্তৰ দিছিল, "হে ইস্ৰায়েল, শুনা; প্ৰভুৱেই আমাৰ আল্লাহ্, প্ৰভু এজনা; আৰু তুমি সকলো হৃদয়, সকলো প্ৰাণ, সকলো চিত্ত আৰু সকলো শক্তিৰে তোমাৰ প্ৰভু আল্লাহক মহব্বত কৰা" (ইঞ্জিল দ্বিতীয় খণ্ড-মাৰ্ক ১২:২৯-৩০)। এইটোৱেই প্ৰথম হুকুম। এইটো তৌৰাত শ্বৰীফৰ দ্বিতীয় বিবৰণৰ ৬ ৰুকু ৪-৯ আয়াতৰো অনুমোদন আৰু সমৰ্থন। এই হুকুম যদি কোৰানৰ ভাষাত লিখা হলহেতেন, তেন্তে সেইটো এই ধৰণে হলহেতেন, "আল্লাহ্, আমাৰ আল্লাহ্, একমাত্ৰ আল্লাহ্, অনন্তকলীয়া আল্লাহ্।" (আল্লাহু, আলহানা, হু ওৱাল্লাহ আহাদুন, আল্লাহুচ্ ছামাদ)।
২। ৰছুল পৌলে এই বক্তব্যৰ ব্যাখ্যা প্ৰদান কৰিছে, "আল্লাহ্ অকল ইহুদীবিলাকৰ আল্লাহ্ নে? পৰজাতিবিলাকৰো নহয় জানো? অৱশ্যে পৰজাতিবিলাকৰো হয়; কিয়নো আল্লাহ্ এজনা..." (ইঞ্জিল ৬ষ্ঠ খণ্ড ৰোমীয়া ৩:২৯-৩০)।
৩। আৰু ৰছুল ইয়াকুবেও এই বিশ্বাস ব্যক্ত কৰি কৈছে, "আল্লাহ্ এজনা বুলি তুমি বিশ্বাস কৰিছা; ভাল কৰিছা" (ইঞ্জিল ২০শ খণ্ড

ইয়াকুব ২:১৯)।
৪। মছীহী ধৰ্মত এই সকলো মূল বচন আৰু কিতাবুল মোকাদ্দছৰ অন্যান্য আয়াতৰ পৰা লোৱা হৈছে। মছীহী জামাতে এই ঈমান যুগ যুগ ধৰি প্ৰকাশ্যে ঘোষণা কৰি আহিছে। "বিশ্বস্ত ভাৱে আমি এক আল্লাহ্ত বিশ্বাস কৰো…আচ্মান, জমীন আৰু দৃশ্য-অদৃশ্যৰ সৃষ্টিকৰ্ত্তা"। প্ৰিয় দোস্ত, এই কাৰণে আপুনি বুজিব পাৰে যে আমি মছীহী উন্মতসকলে তিনিজন খোদাত বিশ্বাস নকৰোঁ, বৰঞ্চ এক আল্লাহ্ৰ ওপৰত ঈমান ৰাখোঁ। আমি পিতা, পুত্ৰ আৰু পাকৰুহৰ অৰ্থ মছীহিয়াতৰ ত্ৰিত্বপাকৰ আলোচনাত ব্যাখ্যা কৰিম।

## মছীহিয়াতত পবিত্ৰ ত্ৰিত্ব

পবিত্ৰ ত্ৰিত্ববাদে কেতিয়াও তিনিজন আল্লাহৰ অস্তিত্বৰ অৰ্থ প্ৰকাশ নকৰে। যেনেকৈ কিছু সংখ্যক লোকে ভুলবশতঃ এই ধাৰণা লৈ থাকে। এই মতবাদৰ অৰ্থ হৈছে আল্লাহ' এক আৰু অদ্বিতীয়।

তেওঁৰ নিজৰ ভিতৰতে নিজৰ অস্তিত্ব, গতিকে তেওঁ নিজকে পিতৃ বুলি ঘোষণা কৰিলে।

তেওঁৰ কালামেই ব্যক্ত কৰিবলৈ নিযুক্ত–গতিকে নিজকে ঘোষণা কৰিলে পুত্ৰ আৰু কলেমাতুল্লাহ বুলি।

তেওঁ তেওঁৰ ৰুহৰ মাজত জীৱন্ত, সেইবাবে নিজকে ঘোষণা কৰিলে পাকৰুহ স্বৰূপে।

এই নামসমূহৰ দ্বাৰা এইটো বুজা উচিত নহয় যে, মানুহৰ ব্যক্তিগত সম্পৰ্কৰ দৰে এই ক্ষেত্ৰতো এটি দৈহিক যোগাযোগ আছে। বৰঞ্চ ইয়াৰ এটি ৰুহানী অৰ্থ আছে।

এই নামসমূহ মানুহৰ দ্বাৰাই আবিস্কৃত বা প্ৰতিষ্ঠিত হোৱা নাই। কিন্তু সেইবোৰ পাক কিতাপত ৰুহানী অনুপ্ৰেৰণাৰ শব্দ, যেনেকৈ তলত বৰ্ণিত উল্লেখৰ মাজত দেখিবলৈ পাব ঃ-
১। ছাইয়েদেনা ঈছা মছীহে তেওঁৰ চাহাবীসকলক কৈছে, "এই হেতুকে তোমালোক যোৱা; আৰু সকলো জাতিকে শিষ্য কৰি,



কৰাৰ বাবে"। কিন্তু তেওঁ এই বুলি তিৰস্কাৰ কৰিলে, "মই মোৰ ঈমানত সন্দেহ ৰাখোঁ নে কি? নাউজুবিল্লাহ!" কিন্তু তেওঁক বিদায় দিয়াৰ পাছত তেওঁ চিন্তা কৰিবলৈ ধৰিলে যে, সেই ব্যক্তিজনে তেওঁক কি কৰিবলৈ অনুৰোধ কৰিলে, "মই তোমাক সত্য পথত পৰিচালনা কৰিবলৈ খোদাক অনুৰোধ কৰিবলৈ কওঁ"। ৰুহুল কুদ্দুচৰ ৰহমতে তেওঁৰ কলবত (হৃদয়ত) কাম কৰিবলৈ আৰম্ভ কৰিলে।

সন্দেহৰ মাত্ৰা ইমান অধিক পৰ্য্যায়ত পালেগৈ যে, এনে লাগিছিল যেন তেওঁ মানসিক ব্যাধিত আক্ৰান্ত হৈ পৰিছে। তেওঁক বিবৰ্ণ দেখা গৈছিল আৰু বেহেস্তী অধিকাৰ বিচাৰিবৰ বাবে তেওঁ পাক কিতাপ পাঠত নিজক মনোনিবেশ কৰিলে। কিছুদিনৰ পাছত তেওঁৰ মুখমণ্ডলত আনন্দৰ আৰু শান্তিৰ ছাপ দেখা গল। কাৰণ নাজাতকাৰীৰ নূৰে ইতিমধ্যে তেওঁক জয় কৰি পেলাইছিল আৰু ধাৰ্মিকতাৰ পোহৰে তেওঁৰ ৰুহক নূৰানী কৰি পেলাইছিল।

মছীহই তেওঁৰ সৰ্ব্বোত্তম প্ৰেম (বেহ'তাৰীন মহব্বত), শ্ৰেষ্ঠ নীতি আৰু তেওঁৰ শিক্ষাৰ বিশেষ গুণলৈ অপূৰ্বৰূপে তেওঁৰ ওচৰত প্ৰকাশিত হৈছিল। তেওঁ বুজিব পাৰিলে যে কেৱল মাত্ৰ মছীহই পথ, সত্য আৰু জীৱন আৰু মানুহ হৈছে গুনাহ'গাৰ, মূৰ্খ আৰু দাসত্বত আৱদ্ধ, আৰু কেৱল মাত্ৰ মছীহৰ সহায়তহে নাজাত লাভ কৰা সম্ভৱ। মোৰ স্মৃতিশক্তিয়ে অনেক কথাই পাহৰি গৈছে। যি নহওক, মই প্ৰথমে যেতিয়া তেওঁৰ পৰা এখন ইঞ্জিল চৰীফ বিচাৰিছিলোঁ, তেতিয়া তেওঁৰ সেই বৃহত্তৰ আনন্দৰ কথা, যি গভীৰ আনন্দই তেওঁৰ হৃদয় ভৰাই দিছিল যাৰ বাবে গৌৰৱোজ্জ্বল মুখ তেওঁৰ চেহাৰাৰ পৰা বিচ্ছুৰিত হৈছিল আৰু অপৰূপ আনন্দৰ অশ্ৰুৰ প্ৰৱাহে তেওঁৰ কাপোৰ সিক্ত কৰি দিছিল, সেই কথা মই কোনো দিন পাহৰা নাই আৰু পাহৰিব নোৱাৰোঁও। এইটো কথা সত্য যে প্ৰথমে মই তেওঁৰ কাৰ্য্যত লজ্জিত হৈছিলোঁ আৰু সেই সময়ত মানুহৰ ওচৰত তেওঁৰ বাবে মুনাজাত কৰিবলৈ কৈছিলো, যাতে তেওঁ পৰিবৰ্তন ?হ পাপৰ পৰা ঘূৰি আহিব পাৰে। সময়ে সময়ে মই প্ৰসিদ্ধ আলেম আৰু জ্ঞানী ব্যক্তিসকলক অনুৰোধ কৰিছিলোঁ যাতে তেওঁলোকে

সেৱাকাৰী আৰু সাক্ষী হিচাবে তোমাক নিযঞ্ক্ত কৰিবলৈ মই তোমাক দেখা দিলোঁ। তঞমি মোক যিদৰে দেখিলা আৰু মই তোমাক যি দেখঞৱাম, সেইবোৰ তঞমি আনৰ আগত কবা। তোমাৰ নিজৰ লোকবিলাক আৰু অ-ইহুদীবোৰৰ হাতৰ পৰা মই তোমাক ৰক্ষা কৰিম। তেওঁলোকৰ চকঞ মঞকলি কৰিবলৈ আৰু অন্ধকাৰৰ পৰা পোহৰলৈ আৰু ছয়তানৰ শক্তিৰ পৰা খোদাৰ ওচৰলৈ উভতাই আনিবৰ বাবে মই তোমাক তেওঁলোকৰ ওচৰলৈ পঠাইছোঁ, যেন মোৰ ওপৰত ঈমান অনাৰ ফলত তেওঁলোকে পাপৰ ক্ষমা পায় আৰু খোদাৰ উদ্দেশ্যত যিসকলক বেলেগ কৰি ৰখা হৈছে তেওঁলোকৰ মাজত স্থান পায়” (ইঞ্জিল ৫ম খণ্ড পাঁচনিৰ কৰ্ম্ম ২৬:৯-১৮)।

এইদৰেই ৰহমত নাজিল হয় আৰু চৌল ঈমানৰ আলোকত আলোকিত হয় আৰু পৰবৰ্তী পৰ্য্যায়ত তেওঁ মছীহিয়াতৰ এজন ৰছুল আৰু দাৰ্শনিক হয়।

ছেইখ মিখায়েল মনচঞৰৰ জীৱনতো এই ৰহ'মত নাজিল হৈছিল। তেওঁৰ সম্বন্ধে তেওঁৰ ভাতৃ ছেইখ' কামিল মনচঞৰে যি লিখিছে, তাৰ সংক্ষিপ্ত উক্তি ইয়াত দিয়া হ'ল। মনচঞৰৰ পঞত্ৰ মিখায়েলে ১৮৭১ চনৰ মাৰ্চ মাহত চঞহাব চহৰত জন্ম গ্ৰহণ কৰে। তেওঁ ধৰ্মীয় আলেমসকলৰ ওচৰত ধৰ্মৰ ছবক লাভ কৰে। এই শিক্ষাৰ পাছত ৰূহানী সত্য বিচাৰি ওলিয়াবৰ বাবে তেওঁ বহু ৰাতি মোৰাকেবাৰ ভিতৰত কটাইছিল। ১৮৯৩ চনত মছীহি ধৰ্মৰ বিষয়ে আলোচনাৰ খেয়াল তেওঁৰ মনত জন্মে। তাৰবাবে মছীহি উন্মতসকলৰ লগত যঞক্তি-তৰ্ক আৰু আলোচনা কৰিবলৈ তেওঁৰ শিক্ষকৰ পৰা অনঞমতি বিচাৰিলে। কিন্তু শিক্ষকে সমৰ্থন নকৰিলে এই ভয়ত যে, ছাত্ৰজন বেয়া মেজাজৰ আৰু গৰ্বিত হৈ যাব পাৰে। তেওঁ কেতিয়াও ধৰ্মীয় লোকসকলৰ লগত যঞক্তি-তৰ্ক আৰু আলোচনা কৰা নাই আৰু যঞক্তিতৰ্ক প্ৰায়ে দীঘলীয়া আৰু নিস্ফল হৈ উঠে। এনে সময়তে কোনো এজন লোকে তেওঁক কলে, “খোদাৰ পৰিচালনাৰ বাবে প্ৰত্যেকে খোদাক অনঞৰোধ কৰা উচিত, আৰু মই তোমাক উপদেশ দিওঁ যে তোমাক সত্য পথত পৰিচালনা কৰিবলৈ খোদাক অনঞৰোধ



পিতৃ, পঞত্ৰ আৰু পাকৰূহৰ নামেৰে তেওঁবিলাকক বাপ্তাইজ (তওবা কৰিছে তাৰ প্ৰমাণ স্বৰূপ গোচল বা ত্বৰীকা) কৰা” (ইঞ্জিল প্ৰথম খণ্ড মথি ২৮:১৯)। তেওঁৰ কালাম “নামেৰে বাপ্তাইজ কৰা” - ইয়াত এক আল্লাহ্ পাকৰ (লা-শৰীক আল্লাহ্) ওপৰত ঈমান স্পষ্ট। পিতৃ, পঞত্ৰ আৰু পাকৰূহ এই নামসমূহৰ উদ্দেশ্যে বাপ্তিস্ম দিবলৈ তেওঁ কোৱা নাই। তথাপিও তেওঁৰ কালামৰ মাজত ত্ৰিত্ব লক্ষ্য কৰা গৈছে, “পিতৃ, পঞত্ৰ আৰু পাকৰূহ”।

২। ৰছুল ইউহোন্নাই অত্যন্ত স্পষ্টভাৱে এই চৰ্ত্তৰ অনঞমোদন কৰিছে, “আত্মা, জল আৰু তেজ, এই তিনিয়ে সাক্ষ্য দিছে আৰু এই তিনিওৰো সাক্ষ্য এক” (ইঞ্জিল ২৩শ খণ্ড ১ ইউহোন্না ৫:৮)।

এই আয়াত দঞটি তঞলনা কৰিলে আপঞনি ত্ৰিত্ব পাকৰ নাম বিচাৰি পাব; পিতৃ, পঞত্ৰ আৰু পাকৰূহ। আমি যি একমাত্ৰ আল্লাহৰ ওপৰত ঈমান ৰাখোঁ তেওঁৰেই মাজত এই পবিত্ৰ ত্ৰিত্ব।

## ***অদ্বিতীয়তাত ত্ৰিত্বৰ আৱশ্যকতা***

সংক্ষেপে উপৰোল্লিখিত আয়াতৰ আলোচনাত অদ্বিতীয়তাত ত্ৰিত্বৰ প্ৰয়োজনীয়তা স্পষ্ট। সকলো জীৱন্ত বস্তুৰ সৃষ্টিকৰ্ত্তা একেই আল্লাহ', তেওঁৰ নিজস্ব ব্যক্তিগত স্বত্ত্বা অৱশ্যে থাকিব। একেই আল্লাহ', যিজনে বাকশক্তি সম্পন্ন মানঞহ সৃষ্টি কৰিছে, তেওঁ নিজে অৱশ্যেই কথা কৈছে। একেই আল্লাহ', যিজনে প্ৰত্যেক জীৱৰ মাজত জীৱন প্ৰদান কৰিছে! তেওঁ অৱশ্যেই ৰূহানী শক্তিত জীৱন্ত থাকিব।

গতিকে এইটো সঞনিশ্চিত, যিদৰে আমি আগতে ব্যাখ্যা কৰি আহিছো যে, একমাত্ৰ আল্লাহ'ৰ মাজত ত্ৰিত্ব পাকৰ অৱস্থান বিৰাজমান। এইটোৱেই আমাৰ খাঁটি ঈমান ঃ ত্ৰিত্ব পাকৰ মাজত আল্লাহ' এক, কিন্তু তিনিজন আল্লাহ' নহয়।

## -দ্বিতীয় অধ্যায়-
## মছীহিয়াতত এক আল্লাহ'ৰ বিশ্বাসৰ সপক্ষে কোৰানৰ সাক্ষ্য

কোৰান শ্বৰীফে সাক্ষ্য প্ৰদান কৰে যে, মছীহি উন্মতসকল নাস্তিক নহয়, বৰঞ্চ এক আল্লাহৰ প্ৰতি ঈমানদাৰ। তলত এই সাক্ষ্যৰ কিছুমান উদাহৰণ দিয়া হ'ল ঃ-

১। *"ঐশীপুথিপ্ৰাপ্ত মানুহবিলাকৰ লগত যুক্তি তৰ্ক কৰিলে অতি উত্তম ভাবে তৰ্ক কৰিবা, অৱশ্যে সিহঁতৰ অন্যায়কাৰীবিলাকৰ লগত এই নীতি প্ৰযোজ্য নহয় আৰু সিহঁতক কোৱা-' আমাৰ প্ৰতি যি অৱতীৰ্ণ কৰা হৈছে আৰু তোমালোকৰ প্ৰতিও যি অৱতীৰ্ণ কৰা হৈছিল সেইবোৰৰ প্ৰতি আমি বিশ্বাস স্থাপন কৰিছো। আমাৰ উপাস্য আৰু তোমালোকৰ উপাস্য একেজনেই আৰু আমি তেওঁৰ ওচৰত আত্মসমৰ্পণ কৰিছো।* (চুৰা আনকাবুত ৪৬ আয়াত) । এইদৰে কোৰানে সাক্ষ্য প্ৰদান কৰে যে, আমি মছীহি উন্মতসকল, !ঐশীপুথিপ্ৰাপ্ত লোক" এজন আল্লাহ্পাকৰে ইবাদত কৰোঁ।

২। *"কিন্তু সকলো ঐশীপুথিপ্ৰাপ্ত মানুহ একে নহয়। সিহঁতৰ কিছুমান সত্য সঠিক পথত অধিষ্ঠিত হৈ আছে, তেওঁলোকে আল্লাহৰ আয়াত পাঠ কৰি, তেওঁৰ সমুখত ছিজদা কৰি ৰাতি কটায়। আল্লাহ আৰু পৰকালক বিশ্বাস কৰে, সৎ কামৰ আদেশ দিয়ে, অসৎ কাম নিষেধ কৰে আৰু কল্যাণকৰ কামত তৎপৰ হৈ থাকে। এওঁলোকেই ন্যায়পৰায়ণ লোক"।*(ছুৰা আলে-ইমৰাণ ১১৩-১১৪ আয়াত)। ইয়াত স্পষ্টৰূপে সমৰ্থন কৰে যে মছীহী উন্মতসকল, "ঐশীপুথিপ্ৰাপ্তলোক" এক আল্লাহৰ ওপৰত ঈমান ৰাখে। তেওঁলোকে আল্লাহৰ কিতাপ পাঠ কৰে যি মহম্মদৰ সময়তো তেওঁলোকৰ ওচৰত আছিল আৰু তেওঁলোকে তেওঁলোকৰ ধৰ্মকৰ্ম বা নামাজত একেই আল্লাহৰ ইবাদত কৰি



তোমাৰ উদয় হোৱা দীপ্তিৰ গুৰিলৈ আহিব" (কিতাবুল মোকাদ্দছে ঈশায়া ৬০:১-৩)। ৰছুল পৌলে কৈছে, "কিয়নো আন্ধাৰৰ মাজৰ পৰা পোহৰ প্ৰকাশিত হব বুলি যি খোদাই কলে, ঈছা মছীহৰ মুখত খোদাৰ গৌৰৱ প্ৰকাশক জ্ঞানৰূপ দীপ্তি প্ৰকাশ কৰিবলৈ, সেই খোদাই আমাৰ হৃদয়ত নূৰ প্ৰকাশ কৰিলে" (ইঞ্জিল ৮ম খণ্ড ২ কৰিন্থীয়া ৪:৬)।

তাৰ্চ নগৰৰ চৌল আৰু ছেইখ মিখাইল মনচুৰৰ লগতে অনেক লোকৰ জীৱনত ৰহমতৰ নূৰ জ্বলিছিল।

চৌল এজন ধৰ্ম-উন্মত্ত ইহুদী আছিল। তেওঁ মছীহী উন্মতসকলক নিৰ্যাতন কৰিছিল আৰু তেওঁলোকক ধৰি বন্দীশালত দিছিল? তেওঁ নিজৰ বিষয়ত এই কথা কৈছিল, "মই নিজেই বিশ্বাস কৰিছিলোঁ, নাচৰতৰ ঈছাৰ বিৰুদ্ধে যি কৰিব পৰা যায় সেই সকলোৱে মোৰ কৰা উচিত আৰু ঠিক তাকেই মই জেৰুজালেমত কৰিছিলোঁ। প্ৰধান ইমামবোৰৰ পৰা অধিকাৰ পাই মই মছীহত বিশ্বাসী অনেকক বন্দীশালত দিছিলোঁ আৰু সিহঁতক মাৰি পেলোৱাৰ সময়ত সিহঁতৰ বিৰুদ্ধে ভোট দিছিলোঁ। সিহঁতক শাস্তি দিবৰ বাবে মই প্ৰায়ে এক মজলীচখানাৰ পৰা আন এটা মজলীচখানালৈ গৈছিলোঁ আৰু ঈছাৰ বিৰুদ্ধে কুফৰী কৰিবলৈ মই সিহঁতৰ ওপৰত জোৰ দিছিলোঁ। সিহঁতৰ ওপৰত মোৰ ইমান ক্ৰোদ্ধ আছিল যে, সিহঁতৰ ওপৰত অত্যাচাৰ কৰিবলৈ মই বিদেশৰ নগৰবোৰ পৰ্যন্তও গৈছিলোঁ। এইদৰে এবাৰ প্ৰধান ইমামসকলৰ পৰা অধিকাৰ আৰু হুকুম লৈ মই দামেস্কলৈ গৈ আছিলোঁ। ইয়া আল্লাহ! তেতিয়া সময় প্ৰায় দুপৰীয়া হৈছিল। পথৰ মাজত সূৰ্য্যতকৈও উজ্জ্বল এটি নূৰ (পোহৰ) বেহেস্তৰ পৰা মোৰ আৰু মোৰ সংগীসকলৰ চাৰিওফালে জ্বলিবলৈ ধৰিলে। আমি সকলোৱে মাটিত পৰি গলোঁ আৰু মই শুনিলোঁ, ইব্ৰানী ভাষাত কোনোবাই যেন মোক কৈছে, চৌল, চৌল, তুমি মোক কিয় কষ্ট দিছা? কাঁইট লগোৱা লাঠিৰ মুখত গোৰ মাৰিবলৈ তোমাৰ খুব কষ্ট হোৱা নাই নে? তেতিয়া মই কলোঁ, 'প্ৰভু, আপুনি কোন?' প্ৰভুৱে কলে, 'মই ঈছা যাক তুমি কষ্ট দিছা! এতিয়া উঠা, তোমাৰ ভৰিত ভৰ দি ঠিয় হোৱা। মোৰ

"মই যি ঠাইত থাকোঁ, তোমালোকো সেই ঠাইতে যেন থাকিবলৈ পাবা এই নিমিত্তে মই পুনৰায় আহিম" (ইঞ্জিল ৪ৰ্থ খণ্ড ইউহোন্না ১৪:৩)। কি কুদৰতী মহব্বত! কিমান সংযোগ আৰু মৰ্য্যদাই যে আমাৰ প্ৰতি প্ৰদত্ত হৈছে আৰু তুমি কিমান প্ৰেমেৰেই যে আমাক আকৰ্ষণ কৰিছা। ভাই, মহব্বত ব্যতীত আপুনি আল্লাহ্‌ক চিনিব নোৱাৰিব। এবাদত কেৱল মাত্ৰ শিক্ষাদান, বিশ্বাস, মতবাদ বা ধৰ্মীয় কৰ্তব্য নহয়; বৰং ইয়াৰ চূড়ান্ত পৰ্যায় হৈছে মহব্বত। খোদা মানুহৰ মনৰ দ্বাৰা সৃষ্ট বা চিহ্নিত এখনি 'ছবি' নহয়। ধাৰ্মিক লোকৰ দ্বাৰা তেওঁ একোতেই বৰ্ণীত হব নোৱাৰে। অথবা দাৰ্শনিক আৰু ধৰ্মতাত্ত্বিকসকলৰ মতামত আৰু জ্ঞানৰ পোহৰত বুদ্ধিবৃত্তিগত ভাৱে বিশ্লেষিতো হব নোৱাৰে। কিন্তু ৰছুলে যিদৰে কৈছে, "খোদা মহব্বত, আৰু যিজন মহব্বতত থাকে, তেওঁ খোদাত থাকে, খোদাও তেওঁত থাকে" (ইঞ্জিল ২৩শ খণ্ড ১ ইউহোন্না ৪:১৬)।

আপোনাৰ হৃদয় আল্লাহ'-পাকৰ মহব্বতৰ বন্ধনত আৱদ্ধ হৈছে নে কি? প্ৰিয় দোস্ত, তৰ্ক-বিতৰ্ক আৰু মতবাদৰ দ্বাৰা বুদ্ধিহাৰা নহব। কিন্তু সাধু অগাষ্টিনে যিদৰে কৰিছিল সেয়ে যথেষ্ট, "মহব্বতৰ লগত যি খুচি কৰা, খোদা নিজেই মহব্বত"।

## *ঈমানৰ নূৰ (পোহৰ)*

যেতিয়া মানৱ হৃদয়ত ৰহমতে কিৰণ দিয়ে, তেতিয়া তেওঁ ঈমানৰ আলোকত আলোকিত হৈ উঠে। ৰহমতৰ কিৰণৰ বিনা মানুহৰ পক্ষে প্ৰকৃত খাঁটি ঈমান লাভ কৰা অসম্ভৱ। যিদৰে কিতাবুল মোকাদ্দছে ঈশায়া নবীৰ মাধ্যমেৰে ব্যাখ্যা প্ৰদান কৰিছে, "তুমি উঠা, দীপ্তি দিয়া; কিয়নো তোমাৰ নূৰ আহিছে আৰু আল্লাহ্-পাকৰ গৌৰৱ তোমাৰ ওপৰত উদয় হৈছে। কাৰণ চোৱা, আন্ধাৰে (গোমৰাহী) পৃথিবীক আৰু ঘোৰ অন্ধকাৰে লোকসমূহক ঢাকিব; কিন্তু আল্লাহ্-পাকৰ নূৰ তোমাৰ ওপৰত উদয় হব, আৰু তোমাৰ ওপৰত তেওঁৰ গৌৰৱ প্ৰকাশিত হব। আৰু জাতিবিলাক তোমাৰ নূৰৰ ওচৰলৈ আৰু ৰজাবিলাক



থাকে।

৩। "*ইমানদাৰ সকলৰ প্ৰতি শত্ৰুতাচৰণ কৰাত তোমালোকে ইহুদী আৰু অংশীবাদীবিলাকক সকলোতকৈ বেছি কঠোৰ পাবা আৰু যিবিলাকে কয়- 'আমি খ্ৰীষ্টিয়ান' সিপঁতক মুছলমানসকলৰ লগত ঘনিষ্টতম মিত্ৰতাস্থাপনকাৰী হিচাবে পাবা। কিয়নো সিহঁতৰ মাজত অনেক শাস্ত্ৰজ্ঞ উপাসনাকাৰী আৰু বৈৰাগী সাধু-সন্ত আছে আৰু তেওঁলোকৰ অহংকাৰ অহমিকাবোধ নাই*"। (ছুৰা আল-মায়িদা ৮২ আয়াত)। এইটো স্পষ্ট যে নেজাৰিয়াসকল বা নাছাৰাসকল (মছীহি উন্মতসকল) বহুত্ববাদী নহয়, আনকি বহুত্ববাদীসকল আৰু ইহুদীসকল মুছলমানৰ ঘৃণ্য শত্ৰু, কিন্তু নাছাৰাসকল (মছীহি উন্মতসকল) তেওঁলোকৰ অতি কাষৰ দোস্ত।

৪। "*হেন সময়ত আল্লাহে ঈছাক ক'লে- ' হে ঈছা, এতিয়া মই তোমাক ওভতাই আনিম, মোৰ ওচৰলৈ উঠাই আনিম আৰু যিবিলাকে তোমাক অবিশ্বাস কৰিছে সিহঁতৰ (সংশ্ৰব, সহচৰ্য আৰু পংকিল পৰিবেশৰ) পৰা তোমাক পৱিত্ৰ কৰিম। যিবিলাকে তোমাক অস্বীকাৰ কৰিছে, সিহঁতৰ ওপৰত কিয়ামত পৰ্যন্ত তোমাৰ অনুসাৰীসকলক উচ্চতৰ কৰি ৰাখিম। অৱশেষত মোৰ ওচৰলৈকে তোমালোকৰ প্ৰত্যাবৰ্ত্তন। তোমালোকৰ মাজত যিবোৰ বিষয়ত মতভেদ আছিল তেতিয়া মই সেইবোৰ মীমাংসা কৰি দিম*"।(ছুৰা আলে-ইমৰাণ ৫৫ আয়াত)। গতিকে আপোনাৰ ওচৰত ই কিমান পৰিষ্কাৰ যে, ঈছাৰ উন্মতসকল বা মছীহি উন্মতসকল বহুত্ববাদী নহয়। পক্ষান্তৰে, আল্লাহ্‌পাকে মছীহি উন্মতসকলক বহুত্ববাদীসকলৰ পৰা পৃথক কৰিছে আৰু তেওঁলোকৰ উৰ্দ্ধত স্থাপন কৰিছে।

মছীহি উন্মতসকলৰ বিষয়ে কোৰানৰ সাক্ষ্যই নিশ্চয়তাৰ সৈতে প্ৰমাণ কৰিছে যে, তেওঁলোকে এক আল্লাহ'ৰ ইবাদত কৰে আৰু তেওঁলোক বহু দেবতাবাদী (মুচৰেক) নহয়।

## *মছীহিয়াতৰ ত্ৰিত্বৰ বিষয়ে কোৰানৰ সাক্ষ্য*

হে মোৰ প্ৰিয় দোস্ত, মছীহি উন্মতসকলে যে এক আল্লাহ‘ পাকৰ ত্ৰিত্বৰ ওপৰত ঈমান ৰাখে, সেই বিষয়ে কোৰানেও অবিকল সমৰ্থন কৰে দেখি আপঃনিও হয়তো আঁচৰিত হৈ উঠিছে।

আমি আগতে দেখঃৱাই আহিছোঁ যে মছীহিয়াতৰ ত্ৰিত্ব হৈছে আল্লাহ‘ৰ প্ৰকৃতি, তেওঁৰ কালাম আৰু তেওঁৰ ৰূহ। এয়াই সেই ত্ৰিত্ব যাক কোৰানে উল্লেখ কৰিছে, *ছুৰা আন্ নিছাত "হে ঐশীপুথি প্ৰাপ্তসকল, তোমালোকে ধৰ্মৰ কামত গুলু (অমিতাচাৰ) নকৰিবা। সত্যৰ বাহিৰে আল্লাহৰ প্ৰতি আন একো আৰোপ নকৰিবা। মৰিয়ম পুত্ৰ ঈছা মছীহ মাথোন আল্লাহৰ ৰছুলহে আছিল আৰু মৰিয়মৰ প্ৰতি পঠোৱা আল্লাহৰ এটি দৈৱবাণী আৰু তেওঁৰ ‘আদিষ্ট আত্মা আছিল। তোমালোকে আল্লাহ আৰু তেওঁৰ ৰছুলৰ প্ৰতি ঈমান আনা আৰু (আল্লাহক) তিনিজন বুলি নকবা; (এনে উক্তি) পৰিত্যাগ কৰা; এয়াই তোমালোকৰ কাৰণে মঙ্গল। নিশ্চয় আল্লাহ একমাত্ৰ উপাস্য আল্লাহৰ সন্তান হ'ব (এনে কথা হবই নোৱাৰে) তেনে কথাৰ পৰা তেওঁ পবিত্ৰ। আকাশমণ্ডল আৰু পৃথিৱীত যি আছে সেয়া সকলো আল্লাহৰেই। প্ৰতিপালন আৰু ৰক্ষণাবেক্ষণৰ বাবে আল্লাহে যথেষ্ট"।* (ছুৰা আন্ নিছা ৪ঃ১৭১ আয়াত !) এই আয়াতত ই পৰিস্কাৰ যে আল্লাহ‘ পাকৰ মাজত আছে ঃ-

এটি ব্যক্তিত্ব – আল্লাহৰ ৰছুল"
এটি কালাম – আৰু তেওঁৰ কালাম"
এটি ৰূহ (আত্মা)– আৰু তেওঁৰ ফালৰ পৰা এটি ৰূহ"।

ত্ৰিত্ববাদৰ ধৰ্মমতৰ বিষয়ে কোৰানে যি সাক্ষ্য বহন কৰে আমি তাকেই প্ৰচাৰ কৰোঁ আৰু তাতকৈ অধিক একোৱেই নহয়। ইয়াত বহু দেবদেবীবাদ (চেৰেকী) প্ৰচাৰ নকৰে, বৰঞ্চ ইয়াকেই প্ৰচাৰ কৰে যে আল্লাহ‘ৰ বাহিৰে অন্য কোনো দ্বিতীয় আল্লাহ‘ নাই।



আকৰ্ষণ কৰে আৰু তাক ইমান দক্ষতাৰ পৰ্যায়ত উপনীত কৰায়, যিটো কোনো মানসিক শক্তিয়ে বঃজিব নোৱাৰে"। বাস্তৱিকতে খোদাই আকৰ্ষণ নকৰিলে কোনো মানঃহে তেওঁৰ ওচৰলৈ আহিব নোৱাৰে। যিদৰে গৌৰৱান্বিত প্ৰভঃ মছীহে কৈছে, "পিতৃয়ে আকৰ্ষণ নকৰিলে কোনো লোক মোৰ ওচৰলৈ আহিব নোৱাৰে"। যেতিয়া চঃলেইমানৰ বিয়াৰ কন্যাই সেই গোপন ৰহস্য জানিলে, তেতিয়া তাই চিএঃৰি উঠিল, "মোক লৈ যোৱাহি, আমি তোমাৰ পাছে পাছে লৰি যাম" (কিতাৰুল মোকাদ্দছ পৰমগীত ১:৪)। প্ৰভঃৰে তেওঁৰ প্ৰেম আৰু স্নেহেৰে আমাক তেওঁৰ ওচৰলৈ টানি লয়। যেতিয়া মানৱ আত্মাই তাৰ নিজৰ বাবে খোদাৰ মহব্বত পৰিপূৰ্ণভাৱে স্মৰণ কৰিব পাৰে, তেতিয়া খোদাৰ মহব্বত মঃগ্ধ হৈ উঠে। ৰছুল ইউহোন্নাই কৈছে, "তেৱেঁই প্ৰথমে আমাক মহব্বত কৰিলে, এই নিমিত্তে আমিও মহব্বত কৰোঁ (ইঞ্জিল ২৩ খণ্ড ১ ইউহোন্না ৪:১৯)।

আপোনাৰ বাবে খোদাৰ মহব্বত কিমান সেই বিষয়ে আপঃনি নাজানে নে? ৰছুল পৌলে কৈছে, "কিন্তু খোদাই আমালৈ তেওঁৰ মহব্বতৰ প্ৰমাণ দিছে; কাৰণ ইতিপূৰ্বেই যেতিয়া আমি পাপী আছিলোঁ, তেতিয়া মছীহে আমাৰ কাৰণে আপোন প্ৰাণ দিলে" (ইঞ্জিল ৬ষ্ঠ খণ্ড ৰোমীয়া ৫:৮)। মহব্বতে তেওঁক প্ৰণোদিত কৰিলে মানৱ দেহত অৱতাৰিত হৈ আপোনাৰ মোৰ পাপৰ কাফ্‌ফাৰা পৰিশোধ কৰিবৰ বাবে সলীব বহন কৰি কালভেৰীৰ পথত আগুৱাই যাবৰ বাবে।

আমাৰ পাপৰ প্ৰাপ্য শাস্তি হৈছে মৃত্যু। আশ্চৰ্য্যজনক বাতঃনী ৰহস্যৰ সৈতে মছীহই বিভীষিকাময় কবৰৰ ভিতৰত প্ৰবেশ কৰি প্ৰজ্জ্বলিত অগ্নিক নঃমঃৱাই দিলে আৰু আমাৰ বাবে আশা ও গৌৰৱৰ পথ খঃলি দিলে। যেতিয়া তেওঁ তেওঁৰ পঃনৰুত্থানৰ (মৃত্যুৰ পৰা আকৌ জীৱিত হৈ উঠা) মাধ্যমেৰে মৃত্যুৰ ক্ষমতা আৰু পাপৰ শৃঙ্খল চূৰ্ণ-বিচূৰ্ণ কৰি দিলে আৰু তেওঁ অতঃলনীয় মহব্বতৰ কাৰণে বেহেস্তত যি স্থান আমাক দান কৰিবলৈ সন্তুষ্ট হৈছিল, সেই স্থান প্ৰস্তুত কৰিবলৈ গুচি গল (ইঞ্জিল ৩য় খণ্ড লূক ১২:৩২)। মহব্বতৰ প্ৰভঃৰে শীঘ্ৰে আমাক নিবলৈ আহিব।

পাৰে? মানুহৰ ভিতৰত যি ৰূহ আছে, সেয়ে কেৱল তেওঁৰ নিজৰ চিন্তাৰ বিষয় জানে। সেইদৰে খোদাৰ ৰূহৰ বাহিৰে খোদাৰ চিন্তাৰ বিষয় অন্য কোনেও জানিব নোৱাৰে। আমি দুনিয়াৰ ৰূহ পোৱা নাই, বৰং খোদাৰ পৰা তেওঁৰ ৰূহক পাইছোঁ, যেন খোদাই আমাক যি সকলো নেয়ামত মুক্ত হস্তে দিছে সেইবোৰ বুজিব পাৰোঁ, আৰু সেই নেয়ামতবোৰৰ কথাই আমি কওঁ। তাক কবলৈ আমি যি সকলো কথা ব্যৱহাৰ কৰোঁ তাক মানুহৰ জ্ঞানৰ পৰা শিক্ষা পাই নকওঁ, কিন্তু পাক ৰূহৰ দ্বাৰা শিক্ষা পাই কওঁ। পাক ৰূহৰ শিক্ষা বুজাবৰ বাবে আমি তেৰেঁই দিয়া কথা ব্যৱহাৰ কৰোঁ। যিজনৰ ভিতৰত খোদাৰ ৰূহ নাই, তেওঁ খোদাৰ ৰূহৰ ওচৰত যি আহে তাক গ্ৰহণ নকৰে, কাৰণ সেইবোৰ তেওঁৰ ওচৰত মূৰ্খতা, সেইবোৰ তেওঁ বুজি নাপায়, কাৰণ পাকৰূহে শিক্ষা নিদিলে সেইবোৰ পৰীক্ষা কৰি দেখা নাযায়। যি লোকে পাক ৰূহৰ অধীনত চলাফিৰা কৰে তেওঁ সেই সকলো পৰীক্ষা কৰি চায়, কিন্তু কোনেও তেওঁক পৰীক্ষা কৰি চাব নোৱাৰে। পাক কিতাবত লিখা আছে, "প্ৰভুক শিকাবলৈ তেওঁৰ মন নো কোনে জানে? কিন্তু মছীহৰ মন আমাৰ আছে" (ইঞ্জিল ৭ম খণ্ড ১ কৰিন্থীয়া ২:১৬)।

এই আয়াতবোৰে আপোনাৰ ওচৰত এটি অতি প্ৰয়োজনীয় আৰু আৱশ্যকীয় বস্তুৰ ব্যাখ্যা প্ৰদান কৰিছে, যি হৈছে আল্লাহ'ৱালা জ্ঞান বুজিবলৈ হলে, জাগতিক জ্ঞান সম্পন্ন মানুহক ৰূহানী- জ্ঞানপূৰ্ণ মানুহ হব লাগিব। আপোনাক পৰিবৰ্তন কৰিবলৈ আৰু আপোনাৰ ওচৰত তেওঁৰ ব্যক্তিত্ব প্ৰকাশ কৰিবৰ বাবে প্ৰভুৰ ওচৰত মুনাজাত কৰক। তেতিয়া তেওঁ নিশ্চয় আপোনাৰ মুনাজাতৰ সহাঁৰি দিব, কিয়নো প্ৰত্যেক মানুহক নাজাত কৰিবলৈ আৰু তেওঁৰ সত্যৰ জ্ঞান প্ৰদান কৰিবলৈ তেওঁ আকাংখী।

## অভিভূতকাৰী সহানুভূতি

এজন সুপৰিচিত দাৰ্শনিকে কৈছে, "মানুহ তাৰ প্ৰাকৃতিক ক্ষমতাৰ দ্বাৰা আল্লাহ্ পাকৰ চৰিত্ৰ ধাৰণ কৰিবলৈ অক্ষম। কিন্তু আল্লাহ্, যিজনে মানুহক তেওঁৰ নিজৰ ওচৰলৈ



## *ঈছা মছীহযে আল্লাহ' পাকৰ কালাম (কালিমাতুল্লাহ) সেই বিষয়ে কোৰানৰ সাক্ষ্য*

কোৰানে অত্যন্ত জোৰ দি সাক্ষ্য দিছে যে, হজৰত ঈছা মছীহ আল্লাহ'ৰ কালাম (কালিমাতুল্লাহ)।
১। চুৰা আন-নিছা ১৭১ আয়াত : "...*মৰিয়মৰ পুত্ৰ ঈছা আল্লাহৰ এজন ৰছুল আৰু তেওঁৰ কালাম*"।

২। চুৰা আল-ইমৰান ৩৯ আয়াত :

"— **ছুৰা আলে-ইমৰাণ ৩৯ আয়াত** ***"তেওঁ মেহৰাবত থিয় হৈ প্ৰাৰ্থনা কৰি থাকোতে ফিৰিস্তাই তেওঁক সম্বোধন কৰি ক'লে- 'আল্লাহে তোমাক য়াহিয়া সম্পৰ্কে সুসংবাদ দিছে। তেওঁ আল্লাহৰ তৰফৰ পৰা এটি ফৰমানৰ (কালামৰ) সত্য প্ৰমাণকাৰী হিচাবে আহিব। তেওঁ এজন নেতা হ'ব, জিতেন্দ্ৰিয় হ'ব আৰু পূণ্যবানসকলৰ মাজৰ এজন নবী হ'ব"।*** "আল্লাহৰ তৰফৰ পৰা এটি কালামৰ সমৰ্থন কৰোঁতে" এই শব্দগুচ্ছৰ বা বিশেষ লিখন ভঙ্গীৰ ওপৰত ঈমাম আবু আচ্ছুয়াদে এই মন্তব্য কৰিছে যে, ঈছা যেন ৰহমত প্ৰাপ্ত হব পাৰে এই বুলি, ...."এইটো কোৱা হৈছে যে, ইয়াহিয়া যেন ঈছা মছীহৰ প্ৰথম বিশ্বাসী হব পাৰে, এই সমৰ্থন কৰিবৰ বাবে যে, তেওঁ আল্লাহৰ কালামৰ আৰু তেওঁৰ ফালৰ পৰা ৰূহৰ অস্তিত্ব। আল্ছাদিয়ে কৈছে, "ইয়াহিয়াৰ মাতৃয়ে ঈছাৰ মাতৃক দেখা কৰি সুধিলে, "মৰিয়ম, তুমি মোৰ গৰ্ভৰ বিষয়ে অনুভৱ কৰিছা নে কি?" মৰিয়মে উত্তৰ দিলে, ময়ো গৰ্ভৱতী! তেতিয়া তেওঁ (ইয়াহিয়াৰ মাতৃ) কলে: "মই অনুভৱ কৰিছোঁ যে, যিজন মোৰ গৰ্ভত আছে তেওঁ, তোমাৰ গৰ্ভত যিজন আছে তেওঁৰ এবাদত কৰিছে।" এই ক্ষেত্ৰত উপৰোল্লিখিত আল্লাহৰ এই উক্তি, "আল্লাহৰ এটি কালামৰ সমৰ্থনত" জাজ্বল্যমান বুলি উপনীত

হয়। (আব্দ-আল্ছুউদ মুহম্মদ ইবন্ মুহম্মদ-আল্-আমাদিৰ বক্তব্য ২৩৩ পৃ:)।

৩। চুৰা আল ইমৰানৰ ৪৫ আয়াত :

"ফিৰিস্তাসকলে কলে, হে মৰিয়ম, নিশ্চয় আল্লাহে তোমাক তেওঁৰ এটি হুকুমৰ সুসংবাদ দিছে, তেওঁৰ নাম মৰিয়মৰ পুত্ৰ 'ঈছা মছীহ'। আৰবী মূল পুংবাচক ব্যক্তিগত সৰ্বনাম উল্লেখে ইংৰাজী অনুবাদত সম্বন্ধ-যুক্ত সৰ্বনাম "যাৰ" (whose) শব্দ ব্যৱহাৰ কৰিছে। ই এই ঘটনাৰ নিৰ্দেশ কৰে যে "এটি শব্দ"ই ইয়াত ভাষাগত সাধাৰণ এটি শব্দ নুবুজায়, বৰঞ্চ এজন ব্যক্তিক বুজায়। এজন মুছলিম আলেমৰ বক্তব্যত আপুনি এই ব্যাখ্যা অনুভৱ কৰিব, যিজনে কৈছে, "The WORD is God in theophany … and it is the one divine Person and not any other (in his book "Fusus Al-Hukm" Part II p. 35)।

এই কালাম আল্লাহপাকৰ তেজ-মাংসৰ দেহত আবিৰ্ভূত অৱস্থা আৰু ইয়াৰ এটি স্বৰ্গীয় ব্যক্তি আছে, অন্য একো নহয়" (ফুচচ আল-হুকুম, ২য় খণ্ড, ৩৫ পৃষ্ঠা)। তেওঁ আৰু কৈছে, "কালাম" "The Word" হৈছে বেহেস্তী ব্যক্তি (১৩ পৃষ্ঠা)। হজৰত ইউহোন্নাই লিখা শুভবাৰ্ত্তাত খোদাবন্দ ঈছা-মছীহৰ বিষয়ে যি লিখা আছে, ই অবিকল সেয়ে নহয় নে? "আদিতে কালাম আছিল, আৰু কালাম আল্লাহৰ লগত আছিল আৰু কালামেই স্বয়ং আল্লাহ আৰু সেই কালামেই মানুহ হৈ জন্ম গ্ৰহণ কৰিলে"' (ইঞ্জিল ৪ৰ্থ খণ্ড ইউহোন্না ১:১,১৪)। এই আয়াতৰ আৰবী অনুবাদত ইয়াকেই উল্লেখ কৰা আমি পুনৰ দেখিবলৈ পাওঁ (মূল গ্ৰীক সমৰ্থনত)। 'কালাম' শব্দৰ সৰ্বনাম হিচাবে ব্যৱহাৰৰ দ্বাৰা 'কালামে' এজন ব্যক্তিকে উল্লেখ কৰে। হজৰত ইউহোন্নাৰ বিশদ বিবৰণত এইটো পৰিস্কাৰ হৈছে; "কালামেই স্বয়ং আল্লাহ' আৰু "কালামেই মানুহ হৈ জন্ম গ্ৰহণ কৰিলে"।

## *পাকৰুহৰ সপক্ষে কোৰানৰ সাক্ষ্য*

কোৰানৰ বহু আয়াতে উল্লেখ কৰিছে যে, পাক ৰুহেই



কাৰণ তেজ আৰু মাংসই ইয়াক তোমাৰ আগত প্ৰকাশ কৰা নাই; কিন্তু মোৰ বেহেস্তী পিতাইহে প্ৰকাশ কৰিলে" (ইঞ্জিল ১ম খণ্ড মথি ১৬:১৬-১৭)।

ভাতৃ, ঈছা মছীহে নিজেই তেওঁৰ নিজৰ সত্তা আৰু ঈমানৰ গুঢ় ৰহস্য আপোনালোকৰ ওচৰত প্ৰকাশ কৰিবলৈ প্ৰস্তুত আছে। তেওঁ কৈছে, "পুত্ৰনো কোন, তাক পিতৃৰ বাহিৰে কোনেও নাজানে; আৰু পিতৃনো কোন, তাক পুত্ৰৰ বাহিৰে, আৰু যি কোনোৰ আগত পুত্ৰই তেওঁক প্ৰকাশ কৰিবলৈ ইচ্ছা কৰে, তেওঁৰ বাহিৰে কোনেও নাজানে" (ইঞ্জিল ৩য় খণ্ড লূক ১০:২২)। পুত্ৰই মেহেৰবানী কৰি ৰছুল পৌলৰ ওচৰত তেওঁৰ গুঢ় ৰহস্য ব্যক্ত কৰিছে। পৌলে কৈছে, "মই মানুহৰ পৰা তাক পোৱা নাই আৰু তাক শিকাও নাই; কিন্তু ঈছা মছীহৰ প্ৰকাশিত কালামৰ দ্বাৰাইহে তাক পালোঁ" (ইঞ্জিল ৯ম খণ্ড গালাতীয়া ১:১২)।

প্ৰত্যেক মানুহৰ প্ৰতি ঈমানৰ পথ প্ৰকাশৰ বাবে পাকৰুহে সুন্দৰভাৱে এই জগতত কাৰ্য্য কৰি আছে, যেন তেওঁ ৰহমত লাভ কৰিব পাৰে আৰু প্ৰভুক সুন্দৰভাৱে জানিব পাৰে। ইয়াকে ৰছুল পৌলে এইদৰে ব্যক্ত কৰিছে, "যিসকলে মছীহি জীৱনত অনেক দূৰ আগুৱাই গৈছে তেওঁলোকৰ আগত অৱশ্যে আমি জ্ঞানৰ কথা কওঁ, কিন্তু সেই জ্ঞান এই দুনিয়াৰ নহয়, নাইবা যিসকল ক্ষমতা শূণ্য হৈ পৰিছে এই দুনিয়া তেনে নেতাবোৰৰো নহয়। আচলতে আমি খোদাৰ জ্ঞানপূৰ্ণ গুপ্ত উদ্দেশ্যৰ কথাই কওঁ। সেই উদ্দেশ্য লুকাই আছিল আৰু জগত সৃষ্টি হোৱাৰ আগতেই খোদাই তাক স্থিৰ কৰি ৰাখিছিল, যেন আমি তেওঁৰ মহিমাৰ ভাগী হব পাৰোঁ। এই দুনিয়াৰ নেতাসকলৰ মাজত কোনেও সেই কথা বুজা নাই; যদি তেওঁলোকে বুজিলেহেতেন, তেনেহলে সেই মহিমা পূৰ্ণ প্ৰভুক সলীৱৰ ওপৰত মাৰি নেপেলালেহেঁতেন। কিন্তু পাক কিতাপৰ কথাৰ মতে –

"খোদাক যিসকলে মহব্বত কৰে তেওঁলোকৰ বাবে তেওঁ যি যি ঠিক কৰি ৰাখিছে, সেইবোৰ কোনেও চকুৰে দেখা নাই, কানেৰেও শুনা নাই আৰু মনেৰেও ভবা নাই"।

কিন্তু খোদাই তেওঁৰ ৰুহৰ মাজেদি সেইবোৰ আমাৰ ওচৰত প্ৰকাশ কৰিছে, কাৰণ পাকৰুহৰ অজানিত একোৱেই নাই, আনকি, কোন আছে যিজনে অন্য মানুহৰ চিন্তাৰ বিষয় জানিব

অক্ষমতা কিতাবঞল মোকাদ্দছে, আইয়ঞব নবীৰ কিতাপৰ মাধ্যমেৰে বৰ্ণনা কৰিছে। "সেয়ে আকাশ-মণ্ডলৰ নিচিনা ওখ; তঞমি কি কৰিব পাৰা ? সেয়ে দোজখতকৈ অগাধ; তঞমি কি জানিব পাৰা ? তাৰ পৰিমাণ পৃথিবীতকৈ দীঘল; আৰু সমঞদ্ৰতকৈয়ো বহল" (আইয়ঞব ১১:৮-৯)। আইয়ঞবে আৰু কৈছে, "সকলোৰে নিয়ন্ত্ৰক প্ৰভঞৰ অনঞসন্ধান কৰা; অথচ তঞমি তেওঁৰ বাতঞনী জ্ঞান অনঞধাৱন নকৰা। তেন্তে কেনেকৈ আল্লাহ্‌ক আৰু তেওঁৰ বঞদ্ধিমত্তাক বিচাৰিবা আৰু তেওঁৰ চিন্তাক অনঞধাৱন কৰিবা ?" ৰছুল পৌলে কৈছে, "খোদাৰ জ্ঞান আৰু বঞদ্ধিৰূপ ধন কেনে দ! তেওঁৰ বিচাৰবোৰ বোধৰ কেনে অগম্য! আৰু তেওঁৰ পথ অনঞসন্ধান কৰা কেনে অসাধ্য! কিয়নো প্ৰভঞৰ মন কোনে জানিলে ? আৰু তেওঁৰ মন্ত্ৰীয়েই বা কোন হল ?" (ইঞ্জিল ৬ষ্ঠ খণ্ড ৰোমীয়া ১১:৩৩-৩৪)। গতিকে, বাস্তৱিকতে খোদাৰ অধিকাৰৰ বিষয় (নিজস্ব বিষয়) মানঞহৰ পক্ষে উপলব্ধি কৰা যে অসম্ভৱ সেয়া অত্যন্ত সঞস্পষ্ট।


আমাৰ প্ৰতি ৰূহানী নাজিলৰ কৰুণাৰ প্ৰয়োজনীয়তা আছে, অথবা "আল্লাহৰ নূৰ"ৰ দ্বাৰা আমাৰ ওচৰত তেওঁৰ এলেম প্ৰকাশ কৰিব লাগিব; যিদৰে কিতাবঞল মোকাদ্দছত লিখা আছে, "(তেওঁ) জ্ঞানৰ নিগূঢ় বিষয় প্ৰকাশ কৰিব" (কিতাবঞল মোকাদ্দছ আইয়ঞব ১১:৬)। প্ৰিয় দোস্ত, আল্লাহই আপোনাৰ ওচৰত নিজক প্ৰকাশ কৰিবৰ বাবে প্ৰস্তুত আছে। "প্ৰভঞৰ প্ৰাৰ্থনাত" আপঞনি এই সত্য দেখিবলৈ পাব, "হে পিতৃ, বেহেস্ত আৰু দঞনিয়াৰ প্ৰভঞ, তঞমি জ্ঞানী আৰু বঞদ্ধিমন্ত লোকৰ পৰা এইবোৰ কথা গুপঞতে ৰাখি, শিশুবিলাকৰ আগত প্ৰকাশ কৰিলা, এই নিমিত্তে তোমাক ধন্যবাদ দিওঁ" (ইঞ্জিল ১ম খণ্ড মথি ১১:২৫)। সম্ভৱতঃ এই মঞনাজাতত আপঞনি লক্ষ্য কৰিব পাৰিছে যে, সৰলতাৰ বাবে যিসকলক শিশুৰ লগত তঞলনা কৰা হয়, তেওঁলোকৰ ওচৰত নূৰৰ বিকাশ ঘটোৱা হৈছে। যিসকলে এই সকলো বাতঞনী বিষয় যঞক্তি প্ৰমাণৰ মাধ্যমেৰে বঞজিবলৈ বিচাৰে, তেওঁলোকে জ্ঞানৰ দ্বাৰা তাক বঞজিব নোৱাৰে। পিতা খোদাই ৰছুল পিতৰৰ ওচৰত ঈমানৰ বাতঞনী বিষয় ব্যক্ত কৰিছে। পিতৰে কৈছে, "আপঞনি সেই মছীহ জীৱন্ত খোদাৰ পঞত্ৰ" (ৰূহানী অৰ্থত ও তাৎপৰ্য্যত)। উত্তৰত ঈছাই তেওঁক কলে, "চিমন ইবনে ইউহোন্না, তঞমি ধন্য;



আল্লাহ'-পাকৰ ৰূহ আৰু তেওঁ ঈছা মছীহক এই পাক ৰূহৰ দ্বাৰাই পৃষ্ঠ-পোষকতা কৰিছিল। এই কথা তলত দিয়া আয়াতত প্ৰমাণিত হৈছে :-

চঞৰা আলমায়েদা (বৰখানা) ১১০ আয়াত : *"যেতিয়া আল্লাহে কব- ' হে মৰিয়ম পুত্ৰ ঈছা, মই তোমাক আৰু তোমাৰ মাতৃক যি অনুগ্ৰহ কৰিছিলো সেয়া মনত পেলোৱা; পৱিত্ৰ আত্মাৰে (পাক ৰূহ) তোমাক শক্তিমান কৰিছিলো। মাতৃৰ কোলাত থকাৰ পৰাই বৃদ্ধ বয়সলৈকে তুমি মানুহৰ লগত কথা কব পাৰিছিলা। মই তোমাক পুথি আৰু জ্ঞানবুদ্ধি, তৌৰাত আৰু ইঞ্জিলৰ জ্ঞান দান কৰিছিলো। তুমি মোৰ অনুমতিক্ৰমে বোকা মাটিৰ দ্বাৰা পখীৰ আকৃতি দি তাত ফুঁ দিছিলা আৰু মোৰ অনুমতিত সি পখী হৈছিল। তুমি জন্মান্ধ আৰু কুষ্ঠৰোগীক মোৰ অনুমতিতেই নিৰাময় কৰিছিলা আৰু মোৰ অনুমতিতেই তুমি মৃতকক জীৱিত অৱস্থালৈ আনিছিলা। যেতিয়া তুমি ঈছ্ৰাইলৰ বংশধৰবিলাকৰ ওচৰলৈ স্পষ্ট নিদৰ্শন আনিছিলা আৰু সিহঁতৰ অবিশ্বাসকাৰীবিলাকে কৈছিল- 'এয়া স্পষ্ট যাদুৰ বাহিৰে আন একো নহয়' তেতিয়া মইহে তোমাক সিহঁতৰ পৰা ৰক্ষা কৰিছিলো।"* (ছুৰা আল-মায়িদা ১১০ আয়াত)। ধৰ্মতত্ত্ববিদ আলেম আল্-ছেখ-মঞহম্মদ-আল-হাৰীৰী-আল্ বাইউমীয়ে কয় "পাক ৰূহ হৈছে আল্লাহ্ পাকৰেই ৰূহ্" (কিতাব আল ৰূহ্ ওৱা মাহিয়াতঞহা ৫৩ পৃ:)।

প্ৰিয় দোস্ত, আমি যি ত্ৰিত্ববাদৰ ধৰ্মমতত বিশ্বাস কৰোঁ তাৰ সপক্ষে কোৰানৰ আৰু ইছলামৰ ধৰ্মতত্ত্ববিদ আলেমসকলৰ উপৰোল্লিখিত সাক্ষ্যসমূহে সেই ধৰ্মমত সহজেই যথাযোগ্য বঞলি বোধগম্য হয়।



# -তৃতীয় অধ্যায়-
## ত্ৰিত্ব পাকৰ নাম সমূহ

পূৰ্বৰ আলোচনাৰ মাধ্যমত আমি বিশ্লেষণ কৰিছোঁ যে, মছীহিয়াত এক আল্লাহত বিশ্বাসী, যিজন একক-ত্ৰিত্বৰ মাজত বিদ্যমান। আল্লাহ'ৰ ব্যক্তিত্ব, তেওঁৰ কালাম আৰু তেওঁৰ ৰূহ- এই ত্ৰিত্বৰ অন্য নামো আছে : পিতা (আল্লাহ'ৰ ব্যক্তিত্ব), পুত্ৰ (আল্লাহ'ৰ কালাম) আৰু ৰূহুল কুদ্দুছ (আল্লাহ'ৰ ৰূহ)। কিছুমান অজ্ঞ লোকে এই নামাকৰণৰ বাবে আপত্তি কৰিছে, কাৰণ তেওঁলোকে ভাবে ইয়াত যৌনসম্পৰ্ক আৰু প্ৰজননৰ অৰ্থ নিহিত ? হ আছে। আল্লাহ'পাকে মছীহিয়াতক এই মতৰ লগত পৰম্পৰ নিষ্পত্তি কৰিবলৈ ? কছে। গতিকে আমি এই অৰ্থৰ অভিপ্ৰায়ৰ ব্যাখ্যা দিম ঃ-

## পিতা

মছীহি উন্মতসকলৰ ওচৰত এই 'পিতা' শব্দই বাস্তবিকভাবে শাৰীৰিক পিতাৰ অৰ্থ প্ৰকাশ নকৰে। প্ৰথমতে, ইয়াৰ এটি ৰূপক অৰ্থ আছে। সমস্ত সৃষ্ট বস্তুৰ উৎস আৰু সৃষ্টিকৰ্ত্তা একমাত্ৰ আল্লাহ্। গতিকে তেওঁ সৃষ্ট বস্তুৰ পিতা বুলি আখ্যায়িত। বিশেষভাৱে জ্ঞান প্ৰাপ্ত ব্যক্তি, যেনে মুছা নবীয়ে কৈছে, "তেওঁ জানো তোমাৰ পিতা আৰু মালিক নহয়? তেওঁ তোমাক সৃষ্টি কৰিছে আৰু লালন-পালন কৰিছে" (তৌৰাত দ্বিতীয় বিবৰণ ৩২:৬)। অথবা ঈশায়া নবীয়ে যিদৰে কৈছে, "হে মাবুদ, তুমি আমাৰ পিতা..." (ঈশায়া ৬৪:৮)। ইঞ্জিল শৰীফত ৰছুল পৌলে ব্যাখ্যা কৰিছে, "তথাপি আমাৰ বাবে খোদা মাত্ৰ এজনেই আছে। তেৱেঁই পিতা; তেওঁৰ দ্বাৰাই সকলো বস্তু হয় আৰু তেওঁৰেই বাবে আমি বাঁচি আছোঁ" (ইঞ্জিল ৭ম খণ্ড ২২, ১ম কৰিন্থীয়া ৮:৬)।

এই প্ৰসঙ্গত 'পিতা' শব্দটো আৰবী ভাষাত যি ভঙ্গীত ব্যৱহাৰ কৰা হয়, সেই ভাবতে নিৰূপিত হৈছে, "আশীৰ্বাদৰ



খাৰিজ, আল-ছিয়া, নাচিৰিয়াহ' - এইসকলে ভাবে যে আবু তালেবৰ পুত্ৰ আলী খোদাৰ মধ্যস্ততাৰ যোগ্য। আল জাবৰিয়াহ, আল-মুতাজিলা আৰু আল-কাদৰিয়াই আল্লাহ'ৰ গুণ সমূহক অস্বীকাৰ কৰে।

আল-আচাইৰা, আল-মুত'ৰিদিয়া, আল-যায়িদিয়া, আল-ইমামিয়া আৰু ইছ'মাইলিয়াই কয় যে, এই বিশ্বৰ দুজন পৰিচালক আছে। প্ৰথমজন হৈছে খোদা আৰু দ্বিতীয়জন হৈছে আত্মা আৰু তেওঁলোকে অবৈধ বিষয়ৰ প্ৰশ্ৰয় দিয়ে।

আল-বাহাইয়াসকলে তেওঁলোকৰ নেতা বাহাইয়াক খোদা হিচাবে বিবেচনা কৰে। আদৰুজসকলে আল হাকিম বিন আমৰ আল্লাহ' আল-ফাতিমিক খোদা হিচাবে বিবেচনা কৰে।

এই সকলোৱে ইয়াকে প্ৰদৰ্শন নকৰে জানো যে, মনৰ বাবে ৰহমতৰ আৰু ঈমানৰ নূৰৰ প্ৰয়োজনীয়তা আছে?

## নাজিলৰ কৰুণা

কোনো মানুহেই তেওঁৰ শক্তি, প্ৰজ্ঞা অথবা তেওঁৰ বুদ্ধিৰ দ্বাৰা আল্লাহক জানিবৰ বাবে যোগ্য নহয়। এই সমস্যা সমাধানত ৰূহানী নাজিলৰ প্ৰয়োজন, কাৰণ মানুহে যেন তেওঁৰ চিন্তাৰ অন্ধত্বৰ মাজত সেই গোপন সত্য, যি মানুহৰ সীমিত মনৰ পৰা লুকোৱা আছিল, তাক জানিব পাৰে। কিছু সংখ্যক দাৰ্শনিকে এই কৰুণাৰ গুৰুত্বৰ বিষয়ে জানিব পাৰিছে আৰু ইয়াক আলোক সম্পাতৰ মতবাদ স্বৰূপে আখ্যায়িত কৰিছে। এজন দাৰ্শনিকে এবাৰ কৈছিল, "কেৱল মাত্ৰ আল্লাহৰ নূৰৰ ছুকৰিয়া আদায় কৰিহে আল্লাহক জনা সম্ভৱ। আল্লাহ্ এজন গুপ্ত বা বাতুনী ওস্তাদ। তেৱেঁই প্ৰকৃত নূৰ যিজনে এই জগতৰ প্ৰত্যেকজন লোকক আলোকিত কৰে।"

কিতাবুল মোকাদ্দছে এই দুটি বিষয়ৰ সম্বন্ধে কয় -

## মানুহ অক্ষম- নাজিলৰ অত্যাৱশ্যকতা।

মানুহৰ বুদ্ধিৰ সহায়ত ৰূহানী বিষয় অনুধাৱন কৰাৰ

কৰা কাৰ্য্যত নিযুক্ত আছিল, তেতিয়াও তেওঁ শ্বিলাৰ (Shiller), গোয়েথ (Goeth) আৰু ফিচ'-ৰ (Fichte) লেখনি পঢ়িছিল আৰু তেওঁলোকৰ মতবাদৰ দ্বাৰাই প্ৰতিনিবৃত্ত ?হ; তেওঁ তেওঁৰ মনোভাৱৰ পৰিবৰ্তন কৰে আৰু পুনৰায় ঈমানদাৰ (এক আল্লাহৰ ওপৰত) হয়। ঈমানত প্ৰত্যাবৰ্তন কৰি কাৰ'লাইল' সুনিশ্চিত হয় এই অনন্তকলীয়া সত্যত, যিটো তেওঁ তেওঁৰ দীৰ্ঘ দিনৰ অনুসন্ধান আৰু অধ্যৱসায়ৰ দ্বাৰা অনুমোদন কৰিছে: "মন জ্ঞানৰ কোনো উৎস নহয়, উপৰন্তু হৃদয় বা কলব সেই উৎসত ৰূপান্তৰিত হৈছে।"

## মছীহিয়াত

অনেক ধৰ্মবিৰুদ্ধবাদীয়ে, যিসকলে মছীহি ঈমান পৰিত্যাগ কৰিছিল, তেওঁলোকে ঈমানৰ বাস্তৱতাক বুদ্ধিমত্তাৰ নীতিৰ দ্বাৰা পৰিভূত কৰি ৰাখিবলৈ বিচাৰিছিল। তেওঁলোকে নিজকে বিপজ্জনক পৰিস্থিতিত নিক্ষেপ কৰিছিল। এই ধৰণৰ লোকবোৰেই হৈছে আৰিয়াচ, মেচিডো নিয়াচ আৰু নেস্টোৰিয়াচ।

খোদাৰ দৈহিক ৰূপত আবিৰ্ভাৱৰ সম্ভাৱ্যতাত আৰিয়াচে বিশ্বাস নকৰিছিল। তেওঁ মছীহৰ ৰুহানী সত্তাক অস্বীকাৰ কৰিছিল। তেতিয়া বিশ্বৰ সকলো ঠাইৰ প্ৰধান জামাতৰ ঈমামসকলে আৰু ধৰ্ম নেতাসকলে এখন সভা মাতিলে আৰু পবিত্ৰ কিতাবুল মোকাদ্দছৰ (তৌৰাত, জবুৰ আৰু ইঞ্জিল) শিক্ষাৰ আলোকত এই বিষয়ৰ ফয়চালা কৰিলে। তেওঁলোকে আৰিয়াচক নিন্দা কৰিলে আৰু তেওঁক নিৰ্বাসিত কৰিলে। তেওঁলোকে তেওঁৰ (আৰিয়াচৰ) শিক্ষাক ঈমানৰ পৰিপন্থী বুলি প্ৰত্যাখান কৰিলে।

## ইছলাম

ইছলামৰ মাজত অনেক ভিন্ন ভিন্ন মাজহাব (দল) ভিন্ন ভিন্ন বিশ্বাস লৈ আবিৰ্ভূত হৈছিল। উদাহৰণ স্বৰূপে, আল-



জনক" (আবু-আল্‌খায়েৰ, আবু-আল-বৰকত, "আবুল ফজল" আৰু অন্যান্যসকল)। এই সকলোৰ মতে আল্লাহক পিত ? বুলিলে প্ৰজনন বা বাস্তৱিক অৰ্থত বোজা উচিত নহয়, কিন্তু ৰূপক অৰ্থতহে বোজা উচিত।

**দ্বিতীয়তে**, ইয়াৰ এটি বৈধ অৰ্থ আছে। তোলনীয়া পুত্ৰ গ্ৰহণৰ ক্ষেত্ৰত 'পিতা' শব্দটোৱে প্ৰমাণ নকৰে যে তেওঁ (পিতাই) তোলনীয়া পুত্ৰক জন্মদান কৰিছে, বৰঞ্চ তেওঁ তেওঁক পুত্ৰ স্বৰূপে গ্ৰহণ কৰিছে আৰু তেওঁক সকলো আইনাজ্ঞ অধিকাৰ প্ৰদান কৰিছে। তেওঁ নিজকে সেই পুত্ৰৰ প্ৰকৃত পিতাৰ ক্ষেত্ৰত দায়িত্বশীল আৰু কৰ্ত্তব্যৰত বুলি ধৰি লৈছে। ৰছুল পৌলে এই বিষয়ে কৈছে, "তোমালোকে খোদাৰ ৰুহক পাইছা, যিজনে তোমালোকক পুত্ৰৰ অধিকাৰ দিছে। সেইবাবে আমি খোদাক আব্বা (পিতা) বুলি মাতোঁ"। (ৰোমীয়া ৮:১৫) আৰু গালাতীয়া পত্ৰত (৪:৪) তেওঁ এই "তোলনীয়া পুত্ৰ গ্ৰহণ" শব্দটো ব্যৱহাৰ কৰিছে। গতিকে আমাক তোলনীয়া সন্তান গ্ৰহণত খোদাৰ পিতৃত্ব, ৰুহানী নায্য অধিকাৰৰ ওপৰত প্ৰতিষ্ঠিত, জাগতিক অৰ্থত নহয়।

**তৃতীয়তে**, ইয়াৰ এটি অপৰিহাৰ্য্য অৰ্থ আছে। এই অৰ্থটো কেৱল মাত্ৰ খোদাৰ ত্ৰিত্বৰ ক্ষেত্ৰতে ব্যৱহাৰ কৰা সম্ভৱ। তেওঁ প্ৰশংসিত হওক! যি মুহুৰ্ত্ততে পিতাৰ মুখৰ পৰা এটি শব্দ বাহিৰ হ'ল, সেই মুহুৰ্ত্ততে সমস্ত যুগৰ পূৰ্বে পিতাৰ পৰা কলেমাতুল্লাহ (পুত্ৰ) নিৰ্গত হ'ল। মছীহেই এই পুত্ৰ, যিজনে ৰহমত প্ৰাপ্ত মৰিয়মৰ গৰ্ভত দৈহিক-ৰূপ ধাৰণ কৰিলে। কিয়নো ৰুহানী খোদাৰ ৰুহ সকলো বস্তুৰ প্ৰাৰম্ভতেই আছিল। ইউহোন্নাৰ বৰ্ণনাকৃত ইঞ্জিল শৰীফত এই বৰ্ণনা আছে, "পিতা খোদাৰ একমাত্ৰ পুত্ৰৰ উপযুক্ত যি প্ৰভাৱ, সেই প্ৰভাৱ আমি দেখিলোঁ। তেওঁ ৰহমত আৰু সত্যেৰে পূৰ্ণ" (ইঞ্জিল ৪ৰ্থ খণ্ড, ইউহোন্না ১:১৪)। মছীহই খোদাক তেওঁৰ পিতা স্বৰূপে দেখুৱাইছে এই অদ্বিতীয়, অত্যাৱশ্যক অৰ্থত, যিটো আৰু কাৰো ক্ষেত্ৰত ব্যৱহাৰ কৰা নাযাব। "পিতৃৰ বাহিৰে কোনেও পুত্ৰক নাজানে; পুত্ৰৰ বাহিৰে আৰু পুত্ৰই যি কোনোৰ আগত তেওঁক প্ৰকাশ

কৰিবলৈ ইচ্ছা কৰে, তেওঁৰ বাহিৰেও কোনেও পিতৃক নাজানে" (ইঞ্জিল ১ম খণ্ড, মথি ১১:২৭)।

সৰ্বশেষত ইয়াৰ এটি আধ্যাত্মিক অৰ্থ আছে। যেতিয়া খোদাই তেওঁৰ পুত্ৰৰ মাধ্যমত তেওঁৰ পাক ৰূহ ইমানদাৰ লোকসকলৰ অন্তৰত প্ৰদান কৰে, তেতিয়া তেওঁলোকে তেওঁৰ ৰূহানী জন্মৰ দ্বাৰা নতুন জীৱন লাভ কৰে। তেওঁলোক এই বন্ধু-সাদৃশ্য বেহেস্তী-পাক-ৰূহৰ দ্বাৰা পৰিবৰ্তিত হৈ উঠে। এই বিশ্বাসীসকলে, "তেজৰ পৰা, বা মাংসৰ ইচ্ছাৰ পৰা, বা মানুহৰ ইচ্ছাৰ পৰা জন্ম পালে, এনে নহয়, কিন্তু খোদাৰ পৰাহে পালে" (ইঞ্জিল ৪ৰ্থ খণ্ড, ইউহোন্না ১:১৩)।

ঈছা মছীহে আমাক উচ্চকণ্ঠেৰে কবলৈ শিক্ষা দিছে, "হে আমাৰ বেহেস্তী পিতা, তোমাৰ নাম পবিত্ৰ বুলি মান্য হওক"। আইনাজ্ঞ তোলনীয়া পুত্ৰৰ অধিকাৰ নোপোৱালৈকে কোনো মানুহে আল্লাহ্ক তেওঁৰ পিতা স্বৰূপে মতা আৰু নিজকে আল্লাহ্-পাকৰ পুত্ৰ স্বৰূপে মানি লব নোৱাৰে। আল্লাহ্-পাকৰ পিতা নামৰ ৰহস্যই, পাক ৰূহ আমাৰ ওচৰত প্ৰকাশ কৰে। দৈহিক অৰ্থত আমি খোদাৰ পিতৃত্বত বিশ্বাস নকৰোঁ। কিন্তু পবিত্ৰতাৰ শুদ্ধতাত মছীহৰ জন্মত বিশ্বাস কৰোঁ আৰু ঈমানদাৰৰ মাজত পাকৰূহৰ অবতৰণ আৰু অৱস্থান বিশ্বাস কৰোঁ।

## পুত্ৰ

আমি যেতিয়া কওঁ যে, ঈছা মছীহখোদাৰ পুত্ৰ, ইয়াৰ অৰ্থই এইটো নুবুজায় যে, ভিন্ন জাতিৰ মাজত বিবাহৰ ফলত মছীহ আহিছে।

পুত্ৰ শব্দই মনস্থ নকৰে যে, শাৰীৰিক সংযোগ বা প্ৰজননৰ জন্ম। মছীহ যে খোদাৰ পৰা আহিছে কেৱল তাকেই বুজাবলৈ মছীহক খোদাৰ পুত্ৰ বুলি কৈ থাকোঁ। তেওঁ কোনো দৈহিক পিতাৰ সৈতে সম্পৰ্কযুক্ত নহয়, গতিকে তেওঁ খোদাৰ সৈতে সম্পৰ্কযুক্ত। পুত্ৰ শব্দটো সাধাৰণ ভাষাত, কোৰান শ্বৰীফত আৰু নবীসকলৰ কথোপকথনত যি ভাবে ব্যৱহৃত হৈছে, সেয়ে



(কিতাবুল মোকাদ্দছ, আইয়ূব ১১:৭-৮)।

তেনেহলে এটি সীমাবদ্ধ মনে কেনেকৈ অসীম খোদাক উপলব্ধি কৰিব পাৰিব? সেয়ে আলেমে কৈছে, "তুমি আল্লাহ্ক বিচাৰা যিজনে সকলো বস্তুৰ নিয়ন্ত্ৰণ কৰে। কিন্তু তুমি কেতিয়াও তেওঁৰ জ্ঞানৰ ৰহস্য জানিব নোৱাৰিবা। কাৰণ তুমি মানুহৰ হৃদয়ৰ গভীৰতাই জানিব নোৱাৰা আৰু তেওঁৰ চিন্তাবোৰো বুজিব নোৱাৰা, গতিকে কেনেকৈ আল্লাহ্ক বিচাৰি পাবা যিজনে এই সকলো বস্তুৰ সৃষ্টি কৰিছে আৰু কেনেকৈ বা তেওঁৰ মনৰ পৰিচয় পাবা আৰু তেওঁৰ সকলো চিন্তা বুজিব পাৰিবা?" ৰছুল পৌলৰ উক্তিয়ে ইয়াক সমৰ্থন কৰিছে, "খোদাৰ জ্ঞান (এলেম) আৰু বুদ্ধিৰূপ ধন কেনে দ! তেওঁৰ বিচাৰবোৰ বোধৰ কেনে অগম্য! আৰু তেওঁৰ পথ অনুসন্ধান কৰা কেনে অসাধ্য! কিয়নো প্ৰভুৰ মন কোনে জানিলে? আৰু তেওঁৰ মন্ত্ৰীয়েই বা কোন হল?" (ইঞ্জিল ৬ষ্ঠ খণ্ড ৰোমীয়া ১১:৩৩-৩৪)।

কিছু সংখ্যক মানুহে যদি ইয়াতে সতৰ্ক নহয়, তেন্তে সত্যৰ পৰা তেওঁলোক বিপথগামী হব আৰু ঘোৰ অন্ধকাৰত হেৰাই যাব। ইয়াত দৰ্শন শাস্ত্ৰৰ, মছীহিয়াত আৰু ইছলামৰ আওতাৰ পৰা কিছুমান উদাহৰণ দিয়া হল।

## দৰ্শন শাস্ত্ৰ

দৰ্শন শাস্ত্ৰ চিন্তাধাৰাৰ ওপৰত নিৰ্ভৰ কৰে আৰু বস্তু নিৰপেক্ষৰ সম্পৰ্কত আছে। গতিকে দাৰ্শনিকসকলৰ প্ৰচেষ্টাৰ মাজত শতাব্দীৰ পাছত শতাব্দী ধৰি অসংগতি আৰু অনৈক্য দেখিবলৈ পাওঁ। দাৰ্শনিকসকলৰ মাজত অনেক বিশ্বাসী আৰু অবিশ্বাসী আছে। ইংৰাজ দাৰ্শনিক কাৰ'লাইল' (১৭৯৫-১৮৮১), এনে এজন মানুহৰ দৃষ্টান্ত, যিজনে মানবিক চিন্তাধাৰাৰ অন্ধকাৰত খেপিয়াই ফুৰিছিল। কোনো এসময়ত কাৰ'লাইল' এজন বিশ্বাসী আছিল। ইয়াৰ পাছত তেওঁ হিউম আৰু অন্যান্য নাস্তিকবোৰে লিখা দৰ্শন শাস্ত্ৰ পাঠ কৰে। তেওঁ তেওঁলোকৰ মতবাদত বিশ্বাস স্থাপন কৰে আৰু তেওঁৰ ঈমান (এক আল্লাহৰ ওপৰত) নষ্ট হৈ যায়। তথাপিও যেতিয়া তেওঁ বিচৰা আৰু তদন্ত

আপোনাৰ অনিষ্ট আৰু আপোনাৰ কংফংৰী স্বত্বেও তেওঁ আপোনাক ব্যক্তিগতভাৱে মহব্বত কৰে। তেওঁ আপোনাক ক্ষমা কৰিবৰ বাবে, আপোনাৰ পাপ মচি পেলাবৰ আৰু পাহৰি যাবৰ বাবে প্ৰস্তুত আছে। তওবা (অনংতাপ) আৰু আনংগত্যৰ সৈতে পোনেই তেওঁৰ ওচৰলৈ চাপি আহক। আপোনাৰ হৃদয় আৰু জীৱন তেওঁৰ ওচৰত সমৰ্পণ কৰক। আপংনি সম্পূৰ্ণৰূপে নিশ্চিত হব পাৰে যে, তেওঁ আপোনাক কেতিয়াও প্ৰত্যাখ্যান নকৰিব। তেওঁ তেওঁৰ অলঙ্ঘনীয় প্ৰতিজ্ঞাত কৈছে, "মোৰ ওচৰলৈ অহা জনক মই কোনোমতে বাহিৰ নকৰিম (ইঞ্জিল ৪ৰ্থ খণ্ড ইউহোন্না ৬:৩৭)। এই মূহুৰ্ত্তে তেওঁৰ ওচৰলৈ আহক আৰু আপোনাৰ পাপ তেওঁৰ সন্মংখত পেলাই দিয়ক আৰু তেওঁ প্ৰত্যেকটো পাপৰ পৰা আপোনাক মংক্ত কৰিব। "আৰু তেওঁৰ পংত্ৰ (ৰূহানী অৰ্থত আৰু তাৎপৰ্যত) ঈছাৰ তেজে (কোৰবানী) সকলো পাপৰ পৰা আমাক পাক শুচি কৰে" (ইঞ্জিল ২৩ খণ্ড ১ ইউহোন্না ১:৭)। তেওঁৰ কাষত মংনাজাত কৰক, "হে প্ৰভং, মোৰ হৃদয়ৰ কালিমা অপসাৰণ কৰা; মোৰ পথ আলোকময় কৰা; তোমাৰ পথ মোক দেখংওৱা; চয়তানৰ হাতৰ পৰা মোক ৰক্ষা কৰা; যেন সি মোক বিপন্ন কৰি তংলিব নোৱাৰে।"

প্ৰিয় দোস্ত, মই কিছংমান অনন্তৰ ৰূহানী সত্য আপোনাৰ ওচৰত তংলি ধৰিম। মই আশা কৰো, খোদাই আপোনাৰ আত্মাক ৰক্ষা কৰিবৰ বাবে আৰু আপোনাৰ ওচৰত আশীৰ্বাদৰ কাৰণ হৈ উঠিবৰ বাবে তাক ব্যৱহাৰ কৰিব। আমিন।

## অজ্ঞতাৰ মাজত খেপিয়াই অনংসন্ধান কৰা

কেৱল মাত্ৰ প্ৰজ্ঞাৰ ওপৰত নিৰ্ভৰ কৰি ঈমানৰ বিষয়বস্তু উপলব্ধি কৰা যে অসম্ভৱ তাত কোনো সন্দেহ নাই। ৰূহানী অনংপ্ৰেৰণাই সাক্ষ্য দিয়ে, "তংমি অনংসন্ধান কৰি খোদাৰ তত্ত্ব পাব পাৰা নে? তংমি সৰ্বশক্তিমান জনাৰ সম্পূৰ্ণ তত্ত্ব লাভ কৰিব পাৰা নে? সেয়ে আচ্‌মানৰ নিচিনা ওখ; তংমি কি কৰিব পাৰা? সেয়ে দোজখতকৈ অগাধ; তংমি কি জানিব পাৰা?"



দৈহিক প্ৰজননৰ নিৰ্দেশ নিদিয়ে।

## চলিত ভাষাত পংত্ৰৰ ব্যৱহাৰ

ভাষাগত প্ৰকাশৰ অনেক ক্ষেত্ৰত 'পংত্ৰ' শব্দটো দৈহিক প্ৰজননৰ অৰ্থত ব্যৱহৃত নহয়। উদাহৰণ স্বৰূপে, আমি যেনেকৈ কওঁ ছাত্ৰবোৰ প্ৰজ্ঞাৰ সন্তান, নাগৰিকবোৰ মাতৃভংমিৰ সন্তান (পংত্ৰ), এজন মিচৰীয় হৈছে নীলনদীৰ আৰু এজন আৰববাসী হৈছে মৰুভূমিৰ সন্তান (পংত্ৰ)।

## *পংত্ৰ শব্দটো কোৰান শ্বৰীফত ব্যবহৃত হৈছে*

কেতিয়াবা কেতিয়াবা পংত্ৰ শব্দটো কোৰান শ্বৰীফত ব্যবহৃত হৈছে, ই শাৰীৰিক প্ৰজননৰ অৰ্থ বংজোৱাৰ লক্ষ্যৰে নহয়। তলত উল্লেখিত আয়াতৰ পৰা আপংনি ইয়াক অনংধাবন কৰিব পাৰিব :-

ছংৰা আল' বাকাৰা (গাভী) ২১৫ আয়াত :-

যি ধন সম্পদ তোমালোকে ব্যয় কৰিবা সেয়া পিতা-মাতা, আত্মীয়-স্বজন, অভাৱগ্ৰস্থ, পিতৃহীন আৰু পৰ্য্যটকসকলৰ বাবে", তৰ্জ্জমা কৰাজনে কয় যে, "পৰ্য্যটক" (ইবনংল ছাবিল) শব্দই পৰ্য্যটক বংজায়। আল-ইমান-আল-নাছাপি আৰু চেখ হাছানাইন মাখ্‌লংকে কয়, "সেই ভ্ৰমণক স্থায়ীভাৱে ৰাখিবৰ বাবে পৰ্য্যটক (ইবনংল ছাবিল) নামেৰে আখ্যায়িত হৈছে"।

## *হাদিছত (ইচলামিক) পংত্ৰ শব্দৰ ব্যৱহাৰ*

হাদিছৰ বৰ্ণনাত পংত্ৰ শব্দৰ ব্যৱহাৰ তলত দিয়া ভাৱে কৰা হৈছে। "ধনীসকল মোৰ প্ৰতিনিধি আৰু গৰীববোৰ মোৰ পৰিবাৰৰ সদস্য (সন্তান-সন্ততি)"। ইয়াৰ দ্বাৰা আমি বংজোঁ নে কি যে, খোদাই এগৰাকী পত্নী গ্ৰহণ কৰিছিল আৰু অনেক সন্তানৰ জন্মদান কৰিছে, যিসকল গৰীব? নিশ্চয় নহয়।

গতিকে 'খোদাৰ পঃত্ৰ' শব্দই মানঃহৰ দৈহিক অৰ্থত প্ৰজনন নঃবঃজায়, কিন্তু নিশ্চয়ে এই ব্যাখ্যা মছীহৰ সৈতে খোদাৰ নিকটতম সম্বন্ধ আৰোপ কৰাৰ উদ্দেশ্যেৰে প্ৰদান কৰা হৈছে। মছীহৰ লগত খোদাৰ সৈতে জাগতিক সম্বন্ধ বা চেৰেকী কায্য" নঃবঃজায়। যিহেতঃ পঃত্ৰৰ অধিকাৰ খোদাৰ ৰূহানী পিতৃত্বৰ মাজৰ পৰা উৎসাৰিত হৈছে। পিতা খোদা আৰু পঃত্ৰ মছীহ কেৱল মাত্ৰ এক বিশেষ অদ্বিতীয় অৰ্থত ব্যৱহৃত যিটো অন্য কোনো ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা নাযাব।

## ৰুহুল কঃদ্দঃচ (পাকৰূহ বা পবিত্ৰ আত্মা)

আগতে যিদৰে আলোচনা কৰি অহা হৈছে, পাক-ৰূহ হৈছে খোদাৰ ৰূহ, যিটো কোৰান শ্বৰীফৰ বিভিন্ন স্থানত উল্লেখিত আছে। চঃৰা ইউচঃফ ঃ *"হে মোৰ পুত্ৰসকল, তোমালোকে যোৱা, ইউছুফ আৰু তাৰ ভায়েকৰ শুংসূত্ৰ উলিওৱাগৈ। আল্লাহৰ কৰুণাৰ পৰা নিৰাশ নহবা। অবিশ্বাসী মানুহবিলাকহে আল্লাহৰ কৰুণাৰ পৰা নিৰাশ হয়।"* (ছুৰা ইউছুফ ৮৭ আয়াত)।"। (ইয়াত মোৰ পঃত্ৰৰ ঠাইত আৰবী শব্দ ৰূহুল্লাহ্ ব্যৱহৃত হৈছে।)

চঃৰা আল বাকাৰা ঃ *"আমি মুছাক পুথি প্ৰদান কৰিছিলো। তাৰ পাছত একাদিক্ৰমে বহু ৰছুল পঠিয়াইছিলো। শেষত মৰিয়ম পুত্ৰ ঈছাক স্পষ্ট নিৰ্দশনাৱলীৰে পঠিয়াইছিলো আৰু পৱিত্ৰ আত্মাৰে তেওঁক শক্তিসম্পন্ন কৰিছিলো....."* (ছুৰা আল-বাকাৰা ৮৭ আয়াত)। *"আমি মৰিয়ম পুত্ৰ ঈছাক সুস্পষ্ট নিৰ্দশন দান কৰিছো আৰু পৱিত্ৰ আত্মাৰে তেওঁক শক্তিশালী কৰিছে....."* (ছুৰা আল-বাকাৰা ২৫৩ আয়াত)।" (ইয়াত পবিত্ৰ আত্মাৰ ঠাইত আৰবী শব্দ 'ৰুহুল কঃদ্দঃচ' ব্যৱহৃত হৈছে)। আল্-ইমাম-আল্-নাচাফিয়ে কৈছে, "এই পবিত্ৰ আত্মাৰ দ্বাৰাই পাক ৰূহৰ অৰ্থ প্ৰকাশ কৰে অথবা মহান আল্লাহ্-পাককো বঃজায়"।

চঃৰা আলমায়েদা: **১১০** আয়াত : *"যেতিয়া আল্লাহে কব- 'হে মৰিয়ম পুত্ৰ ঈছা, মই তোমাক আৰু তোমাৰ মাতৃক যি অনুগ্ৰহ কৰিছিলো*



## -পঞ্চম অধ্যায়-

## ৰূহৰ প্ৰমাণ

প্ৰিয় পাঠক, এতিয়ালৈকে হোৱা আলোচনাই, মছীহি ঈমানত ত্ৰিত্বপাকৰ আৰু লা-শ্বৰীক আল্লাহ'পাকৰ সত্যৰ বিবেচনা কৰিবলৈ এই সকলো জ্ঞানৰ আলোকপ্ৰাপ্ত আৰু যঃক্তি-যঃক্ত প্ৰমাণ উপস্থাপন কৰিছে। অন্য কথাত, মানবিক জ্ঞান, আলোচনাৰ ভিত্তি হিচাবে ব্যৱহৃত হৈছে। যি হওক, ৰছুল পৌলে আমাক দেখঃৱাইছে যে, ঈমান মানঃহৰ জ্ঞানৰ ওপৰত ভিত্তি কৰি নহয়, বৰং আত্মাৰ পৰীক্ষণ আৰু শক্তিৰ দ্বাৰাইহে হয়। তেওঁ কৈছে, মোৰ প্ৰচাৰ আৰু মই দিয়া সংবাদৰ মাজত মানঃহবিলাকক উটাই নিব পৰা কোনো জ্ঞানপূৰ্ণ যঃক্তিতৰ্ক নাছিল, বৰং পাকৰূহৰ শক্তিহে তাত দেখা গৈছিল, যাতে তোমালোকৰ ঈমান মানঃহৰ জ্ঞানৰ ওপৰত নিৰ্ভৰ নকৰি খোদাৰ শক্তিৰ ওপৰত নিৰ্ভৰ কৰে (ইঞ্জিল সপ্তম খণ্ড ১ কৰিন্থীয়া ২:৪,৫)।

গতিকে, হে মোৰ প্ৰিয় দোস্ত, মানবিক জ্ঞানৰ ওপৰত অবলম্বন কৰাৰ বাবে মোক ক্ষমা কৰক আৰু ৰূহৰ ও কঃদৰতৰ প্ৰমাণৰ বিষয়ে কবলৈ অনঃমতি দিয়ক।

ৰূহৰ প্ৰমাণ কলেবৰ মাজত থাকে যিটো জ্ঞানৰ সীমাৰ বহিৰ্ভূত। *"কাৰণ অন্তৰে ঈমান অনাৰ ফলত খোদাই মানঃহক নিৰ্দোষী বুলি গ্ৰহণ কৰে"* (ইঞ্জিল ষষ্ঠ খণ্ড ৰোমীয়া ১০:১০)।

অন্তৰৰ ঈমান হৈছে মানঃহৰ অন্তৰত ৰহমতৰ নূৰৰ ফল, যিহে তেওঁলোকৰ আগত ঈমানৰ গূঢ় ৰহস্য আল্লাহ'ৰ মহব্বত আৰু তাৰ বাবে আল্লাহ'ৰ বিস্ময়কৰ কৰ্মৰ প্ৰকাশ কৰে। এয়ে তেওঁক মানঃহৰ ৰূপ লবলৈ বাধ্য কৰিছে। আৰু মোৰ দৰে পাপীবোৰৰ নাজাত কৰিবৰ বাবে লজ্জাজনক সলীব বহন কৰি কালভেৰীৰ পথত পৰিচালিত হৈছে।

প্ৰিয় ভাই, আপঃনি জানে নে যে, প্ৰভঃৱে তেওঁৰ গৌৰৱ আপোনাৰ ওচৰত প্ৰকাশ কৰাৰ উদ্দেশ্যেৰে আপোনাৰ হৃদয়ত নূৰৰ ৰেখা প্ৰবাহিত কৰিবলৈ ইচ্ছুক, কাৰণ আপোনাৰ পাপ,

যি মতবাদে দেখুৱাইছিল, “তিনিজন খোদা – পিতা, মাতা ও পুত্ৰ আৰু এই পুত্ৰ প্ৰজননৰ মাধ্যমেৰে আহিছে”।

চুৰা আল মায়েদা:- *“যিবিলাকে কয়- ‘আল্লাহ তিনিজনৰ এজন’ সিহঁত অবিশ্বাসকাৰী; কিয়নো একমাত্ৰ আল্লাহৰ ব্যতীত আন কোনো উপাস্য নাই....”* (ছুৰা আল-মায়িদা ৭৩ আয়াত)। যি ইতিপূৰ্বে কোৱা হৈছে, তাক এয়ে নিশ্চিত কৰে আৰু মৰিয়মীয় মতবাদৰ উদ্দেশ্য অস্বীকাৰ কৰে – যেনে তিনিজন আল্লাৰ অস্তিত্ব।

এই আলোচনাৰ যোগেদি আপুনি পৰিষ্কাৰভাৱে দেখিবলৈ পাব, মছীহি উন্মতসকলে যে এক আল্লাহ‘ৰ ওপৰত ঈমান ৰাখে, ইছলামে তাৰ বিৰোধিতা কৰা নাই। খোদাৰ এটি প্ৰকৃতি আছে, কালামে কথা কয়, ৰূহৰ মাজত জীৱন্ত থাকে যেনেকৈ কোৰান ছৰীফে কয়, ছুৰা আন্ নিছা *“হে ঐশীপুথি প্ৰাপ্তসকল, তোমালোকে ধৰ্মৰ কামত গুলু (অমিতাচাৰ) নকৰিবা। সত্যৰ বাহিৰে আল্লাহৰ প্ৰতি আন একো আৰোপ নকৰিবা। মৰিয়ম পুত্ৰ ঈছা মছীহ মাথোন আল্লাহৰ ৰছুলহে আছিল আৰু মৰিয়মৰ প্ৰতি পঠোৱা আল্লাহৰ এটি দৈৱবাণী আৰু তেওঁৰ ‘আদিষ্ট আত্মা আছিল। তোমালোকে আল্লাহ আৰু তেওঁৰ ৰছুলৰ প্ৰতি ঈমান আনা আৰু (আল্লাহক) তিনিজন বুলি নকবা; (এনে উক্তি) পৰিত্যাগ কৰা; এয়াই তোমালোকৰ কাৰণে মঙ্গল। নিশ্চয় আল্লাহ একমাত্ৰ উপাস্য আল্লাহৰ সন্তান হ’ব (এনে কথা হবই নোৱাৰে) তেনে কথাৰ পৰা তেওঁ পবিত্ৰ। আকাশমণ্ডল আৰু পৃথিৱীত যি আছে সেয়া সকলো আল্লাহৰেই। প্ৰতিপালন আৰু ৰক্ষণাবেক্ষণৰ বাবে আল্লাহে যথেষ্ট”*। (চুৰা আন নিছা) নাৰীসকল ঃ ১৭১-১৭২ আয়াত।

এনেদৰে ইছলামে মৰিয়মীয় দলৰ ত্ৰিত্ববাদৰ বিৰোধিতা কৰে। তেওঁলোকে সেই সকলো লোকৰ প্ৰতিবাদ কৰে যিসকলে আশীৰ্বাদ প্ৰাপ্তা মৰিয়মক দেবী স্বৰূপে ভাবে আৰু ধাৰণা কৰে যে আল্লাহে মৰিয়মক বিবাহ কৰাৰ পাছত প্ৰজননৰ মাধ্যমেৰে ঈছা মছীহক জন্ম দিছে।

মছীহিয়াতে এই ধাৰণাক অত্যন্ত ঘৃণা কৰে আৰু প্ৰচণ্ডভাৱে ইয়াৰ প্ৰতিৰোধ কৰিছে আৰু সেই মতাবলম্বীসকলক সমাজচ্যুত কৰিছে। যেনেকৈ মছীহিয়াতৰ প্ৰধান বিশ্বাসৰ বিষয় হৈছে, ই এক আল্লাহৰ ওপৰত বিশ্বাসী যাৰ এটি ত্ৰিত্ব আছে : পিতা, পুত্ৰ আৰু পাকৰূহ।



*সেয়া মনত পেলোৱা; পৱিত্ৰ আত্মাৰে (পাক ৰূহু) তোমাক শক্তিমান কৰিছিলো। মাতৃৰ কোলাত থকাৰ পৰাই বৃদ্ধ বয়সলৈকে তুমি মানুহৰ লগত কথা কব পাৰিছিলা। মই তোমাক পুথি আৰু জ্ঞানবুদ্ধি, তৌৰাত আৰু ইঞ্জিলৰ জ্ঞান দান কৰিছিলো। তুমি মোৰ অনুমতিক্ৰমে বোকা মাটিৰ দ্বাৰা পখীৰ আকৃতি দি তাত ফুঁ দিছিলা আৰু মোৰ অনুমতিত সি পখী হৈছিল। তুমি জন্মান্ধ আৰু কুষ্ঠৰোগীক মোৰ অনুমতিতেই নিৰাময় কৰিছিলা আৰু মোৰ অনুমতিতেই তুমি মৃতকক জীৱিত অৱস্থালৈ আনিছিলা। যেতিয়া তুমি ঈছৰাইলৰ বংশধৰবিলাকৰ ওচৰলৈ স্পষ্ট নিদৰ্শন আনিছিলা আৰু সিহঁতৰ অবিশ্বাসকাৰীবিলাকে কৈছিল- ‘এয়া স্পষ্ট যাদুৰ বাহিৰে আন একো নহয়’ তেতিয়া মইহে তোমাক সিহঁতৰ পৰা ৰক্ষা কৰিছিলো।”* (ছুৰা আল-মায়িদা ১১০ আয়াত)।

আল‘-ছায়েদ আব্দুল কৰিম আল-জাবালীয়ে পবিত্ৰ আত্মাৰ বিষয়ে কৈছে যে, সেয়া সৃষ্ট হোৱা নাই আৰু যি সৃষ্ট হোৱা নাই, সি অনন্তকাল স্থায়ী মাত্ৰ আল্লাহপাক অকলে।

আল-ছেখ-মোহাম্মদ-আল-হাৰীৰা-আল-বাইউমীয়ে আৰু কৈছে, “ৰূহুল কুদ্দুচ আল্লাহ্পাকৰেই ৰূহ আৰু আল্লাহ্ পাকৰ ৰূহ সৃষ্ট হোৱা নাই”।

এয়ে হৈছে লা-শ্বৰীক আল্লাহ পাকৰ মাজৰ ত্ৰিত্ব পাকৰ অৱস্থান যিটো আমি বিশ্বাস কৰোঁ আৰু এয়ে হৈছে পিতা, পুত্ৰ আৰু পবিত্ৰ আত্মা এই নামাকৰণৰ ৰহস্য।

-আল্লাহ পাকৰ অত্যাৱশ্যক পিতৃত্বৰ উপাধি হৈছে ‘পিতা’ (আব্বা)।

-আল্লাহ‘পাকৰ কালাম বা কলেমাতুল্লাহৰ মানবৰূপ গ্ৰহণৰ উপাধি হৈছে ‘পুত্ৰ’ (কলেমাতুল্লাহ)।

-ৰূহুল কুদ্দুচ বা পাক ৰূহ নিজেই স্বয়ং আল্লাহ‘।

# -চতুৰ্থ অধ্যায়-

## *ভ্ৰান্ত ত্ৰিত্ববাদ মৰিয়মীয় সম্প্ৰদায়ৰ ত্ৰিত্ববাদ*

ইছলামৰ আবিৰ্ভাৱৰ পূৰ্বে পঞ্চম শতাব্দীত এটি বিৰুদ্ধবাদী দলৰ আবিৰ্ভাৱ ঘটিছিল। (এটি বিৰুদ্ধবাদী মতবাদ, নাস্তিক বা বিৰুদ্ধবাদীসকলৰ অসত্য আৰু অদ্ভূত শিক্ষা) এই মতবাদৰ সমৰ্থকসকলে পৌত্তলিকৰ পৰা মছীহিয়াত ঈমান স্থাপন কৰিছিল। পৌত্তলিক হিচাবে তেওঁলোকে শুক্ৰ গ্ৰহৰ পূজা কৰিছিল আৰু ইয়াক 'স্বৰ্গৰ ৰানী' বুলি আখ্যায়িত কৰিছিল। মছীহি ধৰ্মত বিশ্বাসী হোৱাৰ পাছত তেওঁলোকে যিহৰ পূজা কৰিছিল তাক তেওঁলোকে মছীহি মতবাদত যুক্ত কৰিবলৈ বিচাৰিছিল। তেওঁলোকে শুক্ৰ গ্ৰহৰ পৰিবৰ্তে মৰিয়মক স্বৰ্গৰ ৰানী বা 'স্বৰ্গৰ দেৱী' হিচাবে ভাবিছিল। ফলত তেওঁলোকে নিজকে মৰিয়মীয় সম্প্ৰদায় বুলি অভিহিত কৰিছিল। তেওঁলোকে আল্লাহ্, মৰিয়ম আৰু ঈছা এই তিনিজনক খোদা বুলি বিশ্বাস কৰিছিল।

## *এই ভ্ৰান্ত ত্ৰিত্ববাদৰ প্ৰতি মছীহি মনোভাব*

এই ভ্ৰান্ত ত্ৰিত্ববাদৰ আবিৰ্ভাৱৰ লগে লগেই মছীহি জামাতে ইয়াৰ বিৰোধিতা কৰিবলৈ আৰম্ভ কৰে। তেওঁলোকৰ শিক্ষাৰ প্ৰতিবাদ কৰিছে, বিশ্বাস সহকাৰে যি প্ৰভুৰ ভোজ দিয়া হয় তাৰ পৰা সেই দলক বাহিৰ কৰি দিয়া হৈছে আৰু এই লোকবিলাকক সমাজচ্যুত কৰা হৈছে। সপ্তম শতাব্দীৰ শেষৰ ফালে এই ভ্ৰান্ত মতবাদটো নিশ্চিহ্ন হৈ যায় আৰু ইয়াৰ মতালম্বীসকল সম্পূৰ্ণৰূপে অদৃশ্য হৈ যায়। মছীহি জামাতে তেওঁৰ পবিত্ৰ বিশ্বাসৰ এই অনুমোদন স্থিৰ কৰিছে–'মৰিয়ম এগৰাকী ৰহমত প্ৰাপ্তা মহিলা, কিন্তু দেৱী নহয়'। মছীহি জামাতে দৃঢ়ভাৱে কবলৈ আৰম্ভ কৰিলে যে, আল্লাহ্ মাত্ৰ এজন, একে উপাদানত যিয়ে তেওঁৰ কালামত কথা কয় আৰু ৰূহৰ মাধ্যমত বাঁচি আছে।



খোদাবন্দ ঈছা মছীহৰ দেহৰ মাজত আল্লাহ'ৰ কালাম বাস কৰিছে, "ভক্তিৰ নিগূঢ়-তত্ত্ব নিঃসংশয়ৰূপে মহান: তেওঁক মাংসত প্ৰকাশ কৰা হল" (ইঞ্জিল ১৫ খণ্ড ১ তীমথিয় ৩:১৬)।

## *ইছলামৰ মনোভাৱ*

সপ্তম শতাব্দীত যেতিয়া ইছলামৰ আবিৰ্ভাৱ ঘটে তেতিয়া মৰিয়মীয় মতবাদীসকলৰ সম্পূৰ্ণ ধ্বংস হোৱাৰ আগতে তেওঁলোকৰ কিছু সংখ্যক লোকৰ সৈতে ইছলামৰ পৰিচয় হয়। ইছলামে তেওঁলোকৰ মতবাদৰ আৰু তেওঁলোকৰ ত্ৰিত্ববাদৰ বিৰোধিতা কৰে (কিন্তু মছীহি ত্ৰিত্ববাদৰ বিৰুদ্ধে নহয়)। তলত দিয়া আয়াত সমূহৰ মাধ্যমত সেয়া পৰিস্কাৰ হৈ উঠে।

চুৰা আল মায়েদা:- *"যেতিয়া আল্লাহে সুধিব- 'হে মৰিয়ম পুত্ৰ ঈছা, তুমি মানুহবিলাকক এইবুলি কৈছিলানেকি 'আল্লাহৰ লগতে মোক আৰু মোৰ মাকো উপাস্য কৰি লোৱা? উত্তৰত ঈছাই কব- 'আল্লাহ মহামহিম, যি বিষয়ে কোৱাৰ মোৰ কোনো অধিকাৰ নাই, তেনে কথা মই কেতিয়াও কোৱা নাই। এনেদৰে যদি মই কলোহেঁতেন, নিশ্চয় তুমি জানিলাহেঁতেন ..."* (চুৰা আল-মায়িদা ১১৬ আয়াত)। এইটো স্পষ্ট যে এই আপত্তি মৰিয়মীয় মতবাদৰ বিৰোধিতাৰ উদ্দেশ্যে, যিসকলে মৰিয়মক দেৱী বুলি প্ৰচাৰ কৰিছিল, যিটো মছীহি মতবাদেও অস্বীকাৰ কৰে।

চুৰা আল আনাম:- *"তেওঁ আকাশ মণ্ডল আৰু পৃথিৱীৰ উদ্ভাৱক। তেওঁৰ সন্তান কেনেকৈ হ'ব পাৰে! যিহেতু তেওঁৰ কোনো জীৱন সংগিনীয়েই নাই! তেৱেঁই সকলো বস্তুকে সৃষ্টি কৰিছে। প্ৰতিটো বস্তু সম্পৰ্কে তেওঁ অভিজ্ঞ"* (চুৰা আল-আন আম ১০১ আয়াত)। একে ধৰণে এই আয়াত মৰিয়মীয় শিক্ষা, যিহতে মৰিয়মক দেৱী আৰু খোদাৰ পত্নী ৰূপত দেখোৱা হয় আৰু এই ধাৰণা দিয়ে যে তেওঁৰ মাধ্যমেৰে খোদাই এটি পুত্ৰৰ জন্মদান কৰে, এই শিক্ষাৰ প্ৰতিবাদ কৰে।

চুৰা আল ইখলাচ:- *"কোৱা- তেওঁ আল্লাহ একক। আল্লাহ কাৰো ওপৰত নিৰ্ভৰশীল নহয়, বৰং সকলোৱেই তেওঁৰ ওপৰতহে নিৰ্ভৰশীল। তেওঁ কোনো সন্তান জন্ম দিয়া নাই আৰু তেৰোঁ কাৰো সন্তান নহয়...."* (চুৰা আল-ইখলাছ ১-৩ আয়াত)। এয়ে মৰিয়মীয় মতবাদৰ প্ৰতি জবাব,




Printed Matter / News Letter Only.
Regd. No............

To

.......................................................

.......................................................

.......................................................

If undelivered, please return to–

*Assamese Christian Fellowship*
Post Box No. 234
Guwahati-781 001